# বিত্তীয় বিবৃতি - I
# Financial Statements - I

**9**

তোমালোকে জানিব পাৰিছা যে বিত্তীয় হিচাপকৰণ মানে ব্যৱসায়ীক লেনদেনবোৰ ক্ৰমাগত ভাৱে শৃংখলাবদ্ধ ৰূপত লিপিবদ্ধ কৰা এক সু-স্পষ্ট কাৰ্য। বিত্তীয় হিচাপকৰণৰ কাম জাবেদা (জাবেদাকৰণ), খতিয়ন (ভুক্তকৰণ) আৰু উদ্বৃত্ত মিলন পত্ৰ প্ৰস্তুতকৰণৰ (সন্তুলন আৰু সংক্ষিপ্তকৰণ) দ্বাৰা আৰম্ভ হয়। এই অধ্যায়ত আমি প্ৰধানকৈ বিত্তীয় বিবৃতিসমূহ প্ৰস্তুতকৰণ সম্পৰ্কে অধ্যয়ন কৰিম। তাৰোপৰি ব্যৱসায়ৰ স্বাৰ্থ জড়িত পক্ষসমূহৰ বিভিন্ন প্ৰকাৰৰ তথ্যৰ প্ৰয়োজনীয়তা, মূলধন আৰু ৰাজহ জাতীয় বিষয়সমূহৰ মাজত পাৰ্থক্য আৰু গুৰুত্ব আৰু বিত্তীয় বিবৃতিসমূহৰ প্ৰকৃতি সম্বন্ধে আলোচনা কৰা হ'ব।

### শিকাৰ উদ্দেশ্য

*এই অধ্যায়টো অধ্যয়ন কৰি তোমালোকে জানিবলৈ সক্ষম হ'বা—*

- *বিত্তীয় বিবৃতিসমূহৰ প্ৰকৃতি;*
- *ব্যৱসায়ৰ প্ৰতি স্বাৰ্থ থকা পক্ষসমূহ চিনাক্তকৰণ আৰু তেওঁলোকৰ বাবে প্ৰয়োজনীয় তথ্য;*
- *মূলধন আৰু ৰাজহ ব্যয় আৰু মূলধন আৰু ৰাজহ প্ৰাপ্তিৰ মাজত থকা পাৰ্থক্য;*
- *ক্ৰয়-বিক্ৰয় আৰু লাভ-লোকচান হিচাপৰ ধাৰণা আৰু ইয়াৰ প্ৰস্তুতকৰণ;*
- *মুঠ লাভ, প্ৰকৃত লাভ আৰু কাৰ্যকৰী লাভৰ প্ৰকৃতি;*
- *উদ্বৃত্ত পত্ৰ বা স্থিতি পত্ৰৰ ধাৰণা আৰু ইয়াৰ প্ৰস্তুতি;*
- *উদ্বৃত্ত পত্ৰত সম্পত্তি আৰু ডেবিট সমূহ সজোৱাৰ নিয়ম;*
- *একজনীয়া বা গাইগুটীয়া ব্যৱসায়ৰ লাভ-লোকচান হিচাপ আৰু উদ্বৃত্ত পত্ৰৰ প্ৰস্তুতি; আৰু*
- *আৰম্ভণী প্ৰবিষ্টিসমূহৰ প্ৰস্তুতি।*

## 9.1 ব্যৱসায়ৰ স্বাৰ্থ জড়িত পক্ষসমূহ আৰু তেওঁলোকৰ তথ্য প্ৰয়োজনীয়তা (Stakeholders and their Information Requirements)

আমি প্ৰথম অধ্যায়ত (বিত্তীয় হিচাপকৰণ খণ্ড -1) পাই আহিছো যে ব্যৱসায়ৰ স্বাৰ্থ জড়িত পক্ষসমূহক অৰ্থপূৰ্ণ তথ্যৰ যোগান ধৰাটো ব্যৱসায়ৰ এটা উদ্দেশ্য। ব্যৱসায়ে যোগান ধৰা তথ্যৰ ওপৰত ভিত্তি কৰি তেওঁলোকে সঠিক সিদ্ধান্ত লব পাৰে। ব্যৱসায়ৰ লগত জড়িত হৈ থকা যিকোনো ব্যক্তিক ব্যৱসায়ৰ স্বাৰ্থ জড়িত পক্ষ বুলি কোৱা হয়। ব্যৱসায়ৰ স্বাৰ্থ জড়িত পক্ষসমূহৰ স্বাৰ্থ আৰ্থিক বা অনা-আৰ্থিক হ'ব পাৰে। তদুপৰি তেওঁলোকৰ স্বাৰ্থ সক্ৰিয় বা নিষ্ক্ৰিয় আৰু প্ৰত্যক্ষ বা পৰোক্ষ হ'ব পাৰে। ব্যৱসায়ত মালিক পক্ষৰ আৰু ব্যৱসায়লৈ ঋণ

আগবঢ়োৱা ব্যক্তিসকলৰ আৰ্থিক স্বাৰ্থ থাকে। চৰকাৰ, ভোক্তা বা গ্ৰাহক বা গৱেষকসকলৰ ব্যৱসায়ৰ প্ৰতি অনা-আৰ্থিক স্বাৰ্থ থাকে। ব্যৱসায়ৰ স্বাৰ্থ জড়িত পক্ষসমূহক ব্যৱহাৰকাৰী বুলিও কোৱা হয়। ব্যৱহাৰকাৰীসকলক দুই ধৰণে ভাগ কৰা হৈছে। আভ্যন্তৰীণ আৰু বাহ্যিক ব্যৱহাৰকাৰী। ব্যৱহাৰকাৰীসকলৰ বিভিন্ন ধৰণৰ উদ্দেশ্য থাকে। তেওঁলোকৰ প্ৰয়োজনীয় তথ্যসমূহো বিভিন্ন ধৰণৰ হয়। সংক্ষেপতে ক'বলৈ হ'লে বিভিন্ন ব্যৱহাৰকাৰীসকলক বিস্তৃত বিত্তীয় তথ্যৰ প্ৰয়োজন।

উদাহৰণস্বৰূপে বিভিন্ন প্ৰকাৰৰ আভ্যন্তৰীণ আৰু বাহ্যিক ব্যৱহাৰকাৰী, তেওঁলোক ব্যৱসায়ৰ লগত জড়িত হৈ থকাৰ উদ্দেশ্য আৰু তেওঁলোকৰ প্ৰয়োজনীয় তথ্য তলত দেখুওৱা হ'ল।

| নাম | অভ্যন্তৰীণ বাহ্যিক ব্যৱহাৰকাৰী | ব্যৱসায়ত অংশগ্ৰহণ কৰা উদ্দেশ্য | হিচাপকৰণ তথ্যৰ প্ৰয়েজনীয়তা |
|---|---|---|---|
| বৰ্তমান মালিক | আভ্যন্তৰীণ | ব্যৱসায়ত ধন বিনিয়োগ আৰু সম্পদ বৃদ্ধি | বিগত হিচাপ বৰ্ষত হোৱা লাভৰ পৰিমাণ ব্যৱসায়টোৰ সম্পত্তি আৰু দেনাৰ অবস্থা সম্পৰ্কে জানিবলৈ ইচ্ছু ক। |
| পৰিচালক | আভ্যন্তৰীণ | নিৰাপত্তা থকা পেচা। এওঁলোকে মালিকসকলৰ এজেন্ট হিচাবে কাম কৰে। | বিত্তীয় বিবৃতি ৰূপত পোৱা হিচাপকৰণ তথ্য এওঁলোকৰ বাবে ব্যৱাসায়ৰ লাভ আৰু আৰ্থিক অৱস্থা সম্পৰ্কীয় তথ্য পাবলৈ এওঁলোক ইচ্ছুক। |
| চৰকাৰ | বাহ্যিক | চৰকাৰৰ ভূমিকা নিয়ন্ত্ৰণকাৰী হিচাবে হয়। জনসধাৰণৰ স্বাৰ্থ ৰক্ষাৰ বাবে চৰকাৰে নীতি-নিয়মৰ দ্বাৰা ব্যৱসায়ৰ কাম-কাজ নিয়ন্ত্ৰণ কৰে। | ব্যৱসায়ৰ স্বাৰ্থ জড়িত পক্ষসমূহৰ অধিকাৰসমূহ সুৰক্ষিত কৰি ৰাখিবলৈ চৰকাৰ ব্যস্ত থাকে। চৰকাৰে ব্যৱসায় প্ৰতিষ্ঠানসমূহৰ ওপৰত কৰ আৰোপ কৰে। সেয়েহে চৰকাৰে অন্যান্য তথ্যৰ লগতে ব্যৱসায়ৰ লাভ অৰ্জন সম্পৰ্কীয় তথ্য বিশেষভাৱে জানিব বিচাৰে। |
| সম্ভাব্য মালিক | বাহ্যিক | ব্যৱসায়ত ধন বিনিয়োগ কৰিবলৈ আকাংখা কৰে আৰু সম্পদ বৃদ্ধি কৰিব বিচাৰে। | ভবিষ্যত কালত ব্যৱসায় প্ৰতিষ্ঠানৰ পাৰদৰ্শিতাৰ নিৰ্দেশক হিচাবে অতীতত অৰ্জন কৰা লাভ আৰু বিত্তীয় অৱস্থা সম্পৰ্কীয় তথ্য জানিবলৈ ইচ্ছুক। |
| বেঙ্ক সম্ভাৱ | বাহ্যিক | বেঙ্কে ঋণ হিচাপে আগবঢ়োৱা ধনৰ নিৰাপত্তা থকাটো বিচাৰে আৰু তাৰ পৰা নিয়মিতভাৱে সুদ পাবলৈ ইচ্ছুক। | বেঙ্ক ব্যৱসায় প্ৰতিষ্ঠানৰ পৰা সময়তে মূলধন আৰু সুদ ঘূৰাই পাবৰ কাৰণে যথোচিত পৰিমাণৰ লাভ উপাৰ্জন হৈছে নে নাই জানিবলৈ বিচাৰে। ব্যৱসায়ে সম্পত্তিসমূহ কি ৰূপত ধৰি ৰাখিছে সেই সম্পৰ্কে বেঙ্ক সচেতন হৈ থাকে। যেতিয়া বেছিভাগ সম্পত্তি নগদ ধনৰ ৰূপত ধৰি ৰখা হয় তেতিয়া এই দিশটোক তৰলতা বুলি জনা যায়। বেঙ্ক ব্যৱসায়ৰ তৰলতাৰ অৱস্থা ভাল নে বেয়া জানিবলৈ তথ্য বিচাৰে। |

অংক 9.1 বিভিন্ন ধৰণৰ হিচাপকৰণ তথ্য ব্যৱহাৰকৰী সকলৰ বিশ্লেষণ.

**কোঠালী - I**

হিচাপকৰণ প্ৰক্ৰিয়া (উদ্বৃত্ত মিলন পত্ৰ পৰ্য্যন্ত) ঃ

১) লিপিবদ্ধ কৰিবলগীয়া লেনদেন সমূহৰ চিনাক্তকৰণ।

২) জাবেদাত লেনদেনসমূহ লিপিবদ্ধকৰণ। কেৱল ধনৰ মাধ্যমত প্ৰকাশ কৰিব পৰা লেনদেনবোৰহে হিচাপ বহীত লিপিবদ্ধ কৰা হয়। লেনদেনবোৰ লিপিবদ্ধ কৰিবৰ কাৰণে অনুসৰণ কৰা পদ্ধতিটোক দ্বি-প্ৰবিষ্টি পদ্ধতি বুলি কোৱা হয়। প্ৰত্যেক লেনদেনৰ দুয়োটা দিশ (ডেবিট আৰু ক্ৰেডিট) ইয়াত লিখা হয়। একে প্ৰকৃতিৰ বাৰে বাৰে সংঘটিত হোৱা লেনদেনবোৰ সহায়কাৰী হিচাপ বহীত লিখা হয়। সহায়কাৰী বহী সমূহক বিশেষ জাবেদাত লিখাৰ পৰিবৰ্ত্তে সেইবোৰ সহায়কাৰী হিচাপ বহী আৰু প্ৰকৃত জাবেদাত লিপিবদ্ধ কৰা হয়। উদাহৰণ স্বৰূপে, ব্যৱসায়ে সকলোবোৰ বাকী বিক্ৰী বিক্ৰয় বহীত আৰু সকলোবোৰ বাকীত ক্ৰয় কৰা ক্ৰয় বহীত লিপিবদ্ধ কৰে। আনবোৰ সহায়কাৰী হিচাপবহী হ'ল- বিক্ৰী ফিৰৎ বহী, ক্ৰয় ফিৰৎ বহী। নগদ বহী ব্যৱসায় প্ৰতিষ্ঠানসমূহৰ বাবে এটা দৰকাৰী বিশেষ জাবেদা। ইয়াত সকলোবোৰ নগদ লেনদেন আৰু বেংকৰ সৈতে হোৱা লেনদেনহে লিপিবদ্ধ কৰা হয়। ওপৰত উল্লেখিত বহীত লিপিবদ্ধ কৰিব নোৱাৰা প্ৰবিষ্টি আৰু লেনদেনবোৰ প্ৰকৃত জাবেদাত লিখা হয়।

৩) ওপৰত উল্লেখিত হিচাপ বহী সমূহত লিপিবদ্ধ কৰা প্ৰবিষ্টিসমূহ খতিয়ানৰ যথাবিহিত হিচাপ সমূহত ভুক্তাকৰণ কৰা হয়।

৪) খতিয়নত থকা হিচাপসমূহ সন্তুলন কৰি এটা বিবৃতিত লিখা হয় যাক উদ্বৃত্ত মিলন পত্ৰ বুলি কোৱা হয়। যদি ডেবিট উদ্বৃত্তৰ মুঠ পৰিমাণৰ লগত ক্ৰেডিট উদ্বৃত্তৰ মুঠ পৰিমাণ একে সমান হয়, তেতিয়া হিচাপসমূহ গাণিতিকভাবে শুদ্ধ বুলি কোৱা হয়।

৫) বিত্তীয় বিবৃতিসমূহ (ক্ৰয়-বিক্ৰয় আৰু লাভ-লোকচান হিচাপ আৰু উদ্বৃত্ত পত্ৰ) প্ৰস্তুতকৰাত উদ্বৃত্ত মিলন পত্ৰই ভেটি হিচাবে কাম কৰে।

## 9.2 মূলধন আৰু ৰাজহৰ মাজত পাৰ্থক্য (Distinction Between Capital and Revenue)

হিচাপকৰণত মূলধন আৰু ৰাজহ জাতীয় বিষয়সমূহ ক্ৰয়-বিক্ৰয় সমূহৰ মাজত থকা পাৰ্থক্য অতি গুৰুত্বপূৰ্ণ। ক্ৰয়-বিক্ৰয়, লাভ-লোকচান হিচাপ আৰু উদ্বৃত্ত পত্ৰ প্ৰস্তুত কৰোতে এনে পাৰ্থক্যৰ গুৰুত্বপূৰ্ণ প্ৰভাৱ থাকে। ৰাজহ জাতীয় বিষয়সমূহ ক্ৰয়-বিক্ৰয় আৰু লাভ-লোকচান হিচাপত অন্তৰ্ভুক্ত কৰা হয়। আনহাতে মূলধন জাতীয় বিষয়সমূহে উদ্বৃত্ত পত্ৰ প্ৰস্তুত কৰাত সহায় কৰে।

### 9.2.1 *ব্যয় (Expenditure)*

পূৰ্বৰ ডেবিট নিস্পত্তিকৰণৰ বাহিৰে, কোনো পৰিমাণৰ ধন কোনো উদ্দেশ্য সাধনৰ বাবে পৰিশোধ বা বহন কৰাকে ব্যয় বোলে। এনে ব্যয় ব্যৱসায়ৰ লাভ অৰ্জনৰ উদ্দেশ্যে কৰা হয়। ব্যয় কৰি পোৱা উপকাৰ বা লাভ এটা হিচাপ বৰ্ষ পৰ্য্যন্ত বা এটা হিচাপবৰ্ষতকৈও অধিক সময়ৰ বাবে অতিবাহিত হ'ব পাৰে। যি ব্যয়ৰ উপকাৰ বা লাভ এটা হিচাপবৰ্ষৰ বাবে পোৱা হয় তেনে ব্যয়ক ৰাজহ ব্যয়

হিচাবে জনা যায়। সাধাৰণতে এনে ব্যয় ব্যৱসায়ৰ দৈনিন্দিন কাম-কাজ চলাবৰ কাৰণে বহন কৰা হয়। দৰমহা, ঘৰভাৰা আদিৰ বাবদ কৰা পৰিশোধক ৰাজহ ব্যয় বুলি কোৱা হয়। চলিত হিচাপবৰ্ষত দৰমহা বাবদ পৰিশোধ কৰা ব্যয়ৰ উপকাৰ বা লাভ পৰবৰ্ত্তী হিচাপবৰ্ষৰ উপকাৰ বা লাভ বুলি ধৰা নহয়। কাৰণ কৰ্মচাৰীসকলে চলিত হিচাপবৰ্ষৰ দৰমহাৰ বাবে চলিত হিচাপবৰ্ষতে শ্ৰম দান কৰিছে। যি ব্যয়ৰ উপকাৰ বা লাভ একাধিক হিচাপবৰ্ষৰ বাবে পোৱা যায় তেনে ব্যয়ক মূলধন ব্যয় বুলি কোৱা হয়। উদাহৰণস্বৰূপে ব্যৱসায়ত ব্যৱহাৰ কৰিবৰ কাৰণে ক্ৰয় কৰা আচবাব আৰু তাৰ বাবদ কৰা পৰিশোধ। চলিত হিচাপবৰ্ষত ক্ৰয় কৰা আচবাবসমূহৰ উপকাৰ বহু হিচাপবৰ্ষ পৰ্য্যন্ত পোৱা যাব। স্থায়ী সম্পত্তি ক্ৰয় বা স্থায়ী সম্পত্তি সম্প্ৰসাৰণ কৰিবৰ কাৰণে কৰা ব্যয় মূলধন ব্যয়ৰ সাধাৰণ উদাহৰণ বুলি ক'ব পাৰি।

তলত উল্লেখিত মূলধন আৰু ৰাজহ ব্যয়ৰ পাৰ্থক্যসমূহ দেখুওৱা হ'ল

ক) মূলধন ব্যয়ে ব্যৱসায়ৰ উপাৰ্জন ক্ষমতা বৃদ্ধি কৰে কিন্তু ৰাজহ ব্যয়ক ব্যৱসায়ৰ উপাৰ্জন কৰা ক্ষমতা চলাই ৰাখিবলৈ বহন কৰা হয়।

খ) ব্যৱসায় চলাই যাবৰ কাৰণে স্থায়ী সম্পত্তি অৰ্জন বা ক্ৰয় কৰোতে মূলধন ব্যয় বহন কৰা হয় কিন্তু ব্যৱসায়ৰ দৈনিক কাম-কাজ চলাবলৈ ৰাজহ ব্যয় বহন কৰা হয়।

গ) ৰাজহ ব্যয় সাধাৰণতে বাৰে বাৰে হোৱা ব্যয় আৰু মূলধন ব্যয় বাৰে বাৰে হোৱা ব্যয় নহয়।

ঘ) মূলধন ব্যয়ৰ পৰা পোৱা উপকাৰ একাধিক হিচাপবৰ্ষলৈ চলি থাকে কিন্তু ৰাজহ ব্যয় কৰি উপকাৰ মাত্ৰ এটা হিচাপবৰ্ষৰ বাবে পোৱা যায়।

ঙ) মূলধন ব্যয় উদ্বৃত্ত পত্ৰত দেখুওৱা হয় আনহাতে ৰাজহ ব্যয় (অপ্ৰদত্ত আৰু অগ্ৰিম প্ৰদত্তসমূহ সংযোজন কৰাৰ পিছত) ক্ৰয়-বিক্ৰয় আৰু লাভ-লোকচান হিচাপলৈ স্থানান্তৰ কৰা হয়।

কেতিয়াবা কেতিয়াবা কিছুমান ব্যয় মূলধন আৰু ৰাজহ শিতানত শুদ্ধভাবে ভাগ কৰিবলৈ অসুবিধা হয়। সাধাৰণতে বিজ্ঞাপন ব্যয়ক ৰাজহ ব্যয় হিচাবে আখ্যা দিয়া যায়। কিন্তু কোনো এটা উৎপন্ন বস্তু নতুনকৈ বজাৰত উলিয়াই দিবৰ বাবে বৃহৎ পৰিমাণৰ বিজ্ঞাপন ব্যয় বহন কৰিবলগীয়া হয় আৰু এনে ব্যয়ৰ উপকাৰ বা লাভ একাধিক হিচাপবৰ্ষৰ বাবে পোৱা হয় তেনে ৰাজহ ব্যয়ক স্থগিত ৰাজহ ব্যয় হিচাবে আখ্যা দিয়া হয়। ব্যয় হৈছে এটা বহল পদ আৰু খৰচ আৰু সম্পত্তিয়ো ইয়াত অন্তৰ্ভুক্ত হৈ থাকে। খৰচ আৰু ব্যয়ৰ মাজত কিন্তু পাৰ্থক্য আছে। ব্যৱসায় প্ৰতিষ্ঠানে বহন কৰা যি কোনো ধৰণৰ খৰচ মানে হৈছে ব্যয়। চলিত বৰ্ষত ব্যয়ৰ যিটো অংশ ব্যৱসায়ত খটুওৱা বা ব্যৱহাৰ হয় সেইখিনিক চলিত বৰ্ষৰ চলিত ব্যয় বুলি কোৱা হয়।

ৰাজহ ব্যয় চলিত বৰ্ষৰ চলিত ব্যয় হিচাবে গণ্য কৰা হয় আৰু ইয়াক ক্ৰয়-বিক্ৰয় আৰু লাভ-লোকচান হিচাপত দেখুওৱা হয়। গতিকে ব্যৱসায় প্ৰতিষ্ঠানে পৰিশোধ কৰা দৰমহা চলিত বছৰৰ চলিত ব্যয় হিচাপে ধৰা হয়। মূলধন ব্যয়ো আয় বিবৃতিত ধাৰ্য্য কৰা হয়। কিন্তু এই ব্যয় একাধিক হিচাপবৰ্ষত ভগাই দেখুৱা হয়। ধৰা হ'ল 50,000 টকাৰ আচবাব কিনা হ'ল আৰু আচবাব খিনি পাঁচ বছৰৰ বাবে ব্যৱহাৰ কৰিব পৰা যাব। গতিকে ইয়াত বছৰি 10,000 টকা চলিত ব্যয় হব। অৱশ্যে এইখিনি চলিত ব্যয়ক অৱক্ষয় হিচাপে আয় বিবৃতিত দেখুওৱা হ'ব। স্থগিত ৰাজহ ব্যয়ৰো হিচাপ ব্যৱস্থা মূলধন ব্যয়ৰ দৰে হব। স্থগিত ৰাজহ ব্যয় বহন কৰি যিমান বছৰৰ বাবে উপকাৰ পোৱা যাব সিমান বছৰৰ বাবে আয় বিবৃতিত অবলোপন কৰা হয়।

### 9.2.2 *প্ৰাপ্তি (Receipts)*

ব্যৱসায়ৰ প্ৰাপ্তিসমূহৰ ক্ষেত্ৰতো একে ধৰণৰ ব্যৱস্থা লোৱা হয়। যি প্ৰাপ্তিৰ ধন ওভতাই দিয়াটো বাধ্যতামূলক তেনে প্ৰাপ্তিমূহক মূলধন প্ৰাপ্তি কোৱা হয়। ব্যৱসায়ৰ মালিকৰ ব্যৱসায়ত অতিৰিক্ত পৰিমাণৰ মূলধন বিনিয়োগ বা বেঙ্কৰ পৰা লোৱা ঋণ আদি উদাহৰণ হিচাপে কব পাৰি। ইয়াত দুয়োবিধ প্ৰাপ্তিকে ব্যৱসায়ে ওভতাই দিবলৈ বাধ্য। অৰ্থাৎ অতিৰিক্ত মূলধনখিনি মালিকক আৰু ঋণখিনি বেঙ্কক ঘূৰাই দিব লাগিব। আনহাতে অতিৰিক্ত মূলধনক ব্যৱসায়ৰ সমাংশ (ইকুইটি) আৰু বেঙ্কৰ ঋণখিনিক দেনা বুলি কোৱা হয়। ইয়াৰোপৰি স্থায়ী সম্পত্তি যেনে পুৰণি যন্ত্ৰপাতি বা আচবাব বিক্ৰী কৰি প্ৰাপ্তি কৰা পৰিমাণ মূলধন প্ৰাপ্তিৰ উদাহৰণ হিচাবে ধৰিব পাৰি। যি প্ৰাপ্তিৰ ধন পুনৰ ওভতাই দিয়াটো বাধ্যতামূলক নহয় বা কোনো প্ৰাপ্তি স্থায়ী সম্পত্তি বিক্ৰী কৰি পোৱা নহয় তেনে প্ৰাপ্তিক ৰাজহ প্ৰাপ্তি বোলে। এটা ব্যৱসায় প্ৰতিষ্ঠানে সামগ্ৰী বিক্ৰী কৰি পোৱা সুদ ৰাজহ প্ৰাপ্তিৰ উদাহৰণ।

### 9.2.3. *মূলধন আৰু ৰাজহৰ মাজত থকা পাৰ্থক্যৰ গুৰুত্ব*

(Importance of Distinction between Capital and Revenue)

ইতিমধ্যে আলোচনা কৰা হৈছে যে সকলো ৰাজহ বিষয়সমূহ ক্ৰয়-বিক্ৰয় আৰু লাভ-লোকচান হিচাপত দেখুওৱা হয় আৰু মূলধন জাতীয় বিষয়সমূহ উদ্বৃত্ত পত্ৰত দেখুওৱা হয়। যদি কোনো এটা বিষয় বা বস্তু ভুলকৈ শ্ৰেণীবিভাগ কৰা হয় (যেনে যদি ৰাজহ জাতীয় বিষয় এটা মূলধন জাতীয় বিষয় হিচাবে গণ্য কৰা হয়) তেতিয়া লাভ বা লোকচানৰ পৰিমাণো ভুলকৈ নিৰ্ধাৰণ হ'ব। উদাহণস্বৰপে কোনো এটা হিচাপবৰ্যত 10,00,000 টকা ৰাজহ উপাৰ্জন আৰু 8,00,000 টকা

চলিত ব্যয় হোৱা দেখুওৱা হ'ল। ইয়াত লাভৰ পৰিমাণ 2,00,000 টকা হ'ল। পিছত বিস্তাৰিতভাৱে বিচাৰ কৰি তুমি জানিব পাৰিলা যে 20,000 টকাৰ ৰাজহ বিষয় এটা (যন্ত্ৰপাতি মেৰামতি কৰা ব্যয়) মূলধন ব্যয় হিচাপে (যন্ত্ৰপাতিৰ মূল্যত যোগ আৰু মেৰমতি হিচাপে ডেবিট কৰাৰ পৰিবৰ্তে যন্ত্ৰপাতি হিচাপ ডেবিট) দেখুৱা হৈছে। গতিকে উক্ত ৰাজহ ব্যয় 20,000 টকা সেই বছৰত কম দেখুৱা হৈছে। অৰ্থাৎ সেই বছৰৰ প্ৰকৃত চলিত ব্যয় 8,00,000 টকাৰ সলনি 8,20,000 টকাহে হ'ব। গতিকে প্ৰকৃত লাভ 1,80,000 টকাহে হ'ব 2,00,000 টকা নহয়। আন অৰ্থত লাভ অধিক পৰিমাণে দেখুওৱা হৈছে। ঠিক তেনেদৰে যদি মূলধন ব্যয় ভুলকৈ ৰাজহ ব্যয় বুলি দেখুওৱা হয়, (যেনে, আচবাব ক্ৰয় কৰি ক্ৰয় হিচাপ লিখা) তেতিয়া লাভৰ পৰিমাণ কমকৈ দেখুওৱা হ'ব। আনহাতে সম্পত্তিৰ পৰিমাণো কম হ'ব। ফলস্বৰূপে বিত্তীয় বিবৃতিসমূহেও ব্যৱসায়ৰ সঠিক প্ৰতিচ্ছবি প্ৰতিফলিত নকৰিব। সেইহেতু প্ৰত্যেকটো বিষয় প্ৰকৃতি বা চৰিত্ৰ শুদ্ধভাৱে চিনাক্ত কৰাটো প্ৰয়োজন আৰু হিচাপ বহীত সেইমতে ব্যৱস্থা কৰিব লাগে। কৰ নিৰ্ধাৰণৰ ক্ষেত্ৰতো ই অতি প্ৰয়োজন। কাৰণ মূলধনী লাভ আৰু ৰাজহ লাভৰ ওপৰত পৃথকভাৱে কৰ আৰোপ কৰা হয়।

### 9.3 বিত্তীয় বিবৃতিসমূহ (Financial Statements)

ব্যৱসায় প্ৰতিষ্ঠানৰ সবিশেষ তথ্য বিভিন্ন ধৰণৰ ব্যৱহাৰকাৰী সকলক প্ৰয়োজন। কোনো নিৰ্দিষ্ট ব্যৱহাৰকাৰীৰ কাৰণে বিশেষ ধৰণৰ তথ্য যুগুতোৱাৰ পৰিবৰ্তে, ব্যৱসায় প্ৰতিষ্ঠানসমূহে সাধাৰণতে সকলো ব্যৱহাৰকাৰীক সন্তুষ্ট কৰিব পৰাকৈ বিত্তীয় বিবৃতিসমূহ প্ৰস্তুত কৰে।

বিত্তীয় বিবৃতিসমূহ প্ৰস্তুত কৰাৰ মূল উদ্দেশ্যবোৰ হ'ল-

a) ব্যৱসায়ৰ বিত্তীয় পাৰদৰ্শিতা সঠিক ৰূপত উপস্থাপন কৰা ;

b) ব্যৱসায়ৰ বিত্তীয় অৱস্থা সঠিক ভাৱে উপস্থাপন কৰা ; আৰু

এই উদ্দেশ্য পূৰণৰ কাৰণে ব্যৱসায় প্ৰতিষ্ঠানসমূহে সাধাৰণতে তলত উল্লেখিত বিত্তীয় বিবৃতিসমূহ প্ৰস্তুত কৰে ঃ

1] ক্ৰয়-বিক্ৰয় আৰু লাভ-লোকচান হিচাপে

2] উদ্বৃত্ত প্ৰত্ৰ

ক্ৰয়-বিক্ৰয় আৰু লাভ-লোকচান হিচাপক আয়ৰ বিবৃতি বুলিও জনা যায়। ব্যৱসায়ৰ বিত্তীয় পাৰদৰ্শিতা ক্ৰয়-বিক্ৰয় আৰু লাভ-লোকচান হিচাপে দাঙি ধৰে। ব্যৱসায়ে অৰ্জন কৰা লাভ বা বহন কৰা লোকচান এই হিচাপসমূহৰ দ্বাৰা প্ৰতিফলিত কৰা হয়। ব্যৱসায়ৰ বিত্তীয় বা আৰ্থিক অৱস্থা উদ্বৃত্ত পত্ৰই দেখুৱায়। সম্পত্তি, দেনা আৰু মূলধন উদ্বৃত্ত পত্ৰত অন্তৰ্ভুক্ত কৰি ব্যৱসায়ৰ

বিত্তীয় অৱস্থা দাঙি ধৰা হয়। অতিৰিক্ত তথ্য আৰু উদ্বৃত্ত মিলন পত্ৰৰ ওপৰত ভিত্তি কৰি এই বিবৃতিবোৰ প্ৰস্তুত কৰা হয়।

*উদাহৰণ-1*

তলত দিয়া অংকিতৰ উদ্বৃত মিলন পত্ৰখন মন কৰা আৰু হিচাপসমূহৰ বিভিন্ন উপাদানসমূহৰ অৰ্থ শুদ্ধকৈ কৰা। ইয়াত তোমালোকে লক্ষ্য কৰিবা যে ডেবিট উদ্বৃত্তবিলাকে সম্পত্তি বা চলিত ব্যয়/লোকচান বুজাইছে আৰু ক্ৰেডিত উদ্বৃত্ত বিলাকে সমাংশ/দেনা বা আয়/লাভ বুজাইছে।
[এইটো অধ্যায়ত এইখন উদ্বৃত্ত মিলন পত্ৰৰ যোগেদি বিত্তীয় বিবৃতিসমূহ প্ৰস্তুতকৰণ প্ৰক্ৰিয়া বুজিবলৈ ব্যৱহাৰ কৰা হ'ব। ]

অংকিতৰ 2005 ৰ 31 মাৰ্চত উদ্বৃত্ত মিলন পত্ৰ

| হিচাপৰ নাম | খঃপৃঃ | ডেবিট (টকাৰ পৰিমাণ) | ক্ৰেডিট (টকাৰ পৰিমাণ) |
|---|---|---|---|
| নগদ | | 1,000 | |
| মূলধন | | | 12,000 |
| বেঙ্ক | | 5,000 | |
| বিক্ৰী | | | 1,25,000 |
| মজুৰি | | 8,000 | |
| পাওনাদাৰ | | | 15,000 |
| দৰমহা | | 25,000 | |
| 10% দীৰ্ঘম্যাদী ঋণ (2004 চনৰ 1 এপ্ৰিলত লোৱা) | | | 5,000 |
| আচবাব | | 15,000 | |
| প্ৰাপ্ত দস্তুৰি | | | 5,000 |
| ভৱনৰ ভাড়া | | 13,000 | |
| দেনাদাৰ | | 15,000 | |
| অনুদ্ধাৰণীয় ঋণ | | 4,500 | |
| ক্ৰয় | | 75,000 | |
| | | 1,62,000 | 1,62,000 |

অংকিতৰ 2005 ৰ 31 মাৰ্চত উদ্বৃত্ত মিলন পত্ৰ বিশ্লেষণ

| হিচাপৰ নাম | প্ৰধান উপাদান | খঃপৃঃ | ডেবিট (টকাৰ পৰিমাণ) | ক্ৰেডিট (টকাৰ পৰিমাণ) |
|---|---|---|---|---|
| নগদ | সম্পত্তি | | 1,000 | |
| মূলধন | সমাংশ | | | 12,000 |
| বেঙ্ক | সম্পত্তি | | 5,000 | |
| বিক্ৰী | ৰাজহ | | | 1,25,000 |
| মজুৰি | ব্যয় | | 8,000 | |
| পাওনাদাৰ | দেনা | | | 15,000 |
| দৰমহা | ব্যয় | | 25,000 | |
| 10% দীৰ্ঘম্যাদী ঋণ (2004 চনৰ | | | | 5,000 |
| 1 এপ্ৰিলত লোৱা) | দেনা | | 5,000 | |
| আচবাব | সম্পত্তি | | 15,000 | |
| প্ৰাপ্ত দস্তুৰি | ৰাজহ | | | 5,000 |
| ভৱনৰ ভাড়া | ব্যয় | | 13,000 | |
| দেনাদাৰ | সম্পত্তি | | 15,000 | |
| অনুদ্ধাৰণীয় ঋণ | ব্যয় | | 4,500 | |
| ক্ৰয় | ব্যয় | | 75,000 | |
| | | | 1,62,000 | 1,62,000 |

**9. 4 ক্ৰয়-বিক্ৰয় আৰু লাভ-লোকচান হিচাপ** (Trading and Profit and Loss Account)

ব্যৱসায় প্ৰতিষ্ঠানে হিচাপবৰ্ষত উপাৰ্জিত লাভ বা বহন কৰা লোকচান নিৰূপণ কৰিবৰ কাৰণে ক্ৰয়-বিক্ৰয় আৰু লাভ-লোকচান হিচাপ প্ৰস্তুত কৰে। মূলতঃ ক্ৰয়-বিক্ৰয় আৰু লাভ-লোকচান হিচাপে ব্যৱসায় প্ৰতিষ্ঠানৰ ৰাজহ আৰু চলিত ব্যয়ৰ সাৰাংশ আৰু ই প্ৰকৃত লাভ বা লোকচান নিৰ্ণয় কৰে। লাভ মানে ৰাজহ বাদ চলিত ব্যয় যদি চলিত ব্যয়ৰ পৰিমাণ ৰাজহৰ পৰিমাণতকৈ বেছি হয়, তেতিয়া পাৰ্থক্যখিনিক লোকচান বুলি কোৱা হয়। ব্যৱসায় প্ৰতিষ্ঠানৰ হিচাপবৰ্ষৰ পাৰদৰ্শিতা ক্ৰয়-বিক্ৰয় আৰু লাভ-লোকচান হিচাপে সংক্ষিপ্তৰূপত দাঙি ধৰে। ৰাজহ আৰু চলিত ব্যয়সমূহৰ উদ্বৃত্তসমূহ উদ্বৃত্তমিলন পত্ৰৰ পৰা ক্ৰয়-বিক্ৰয় আৰু লাভ-লোকচান হিচাপলৈ স্থানান্তৰ কৰি এই

উদ্দেশ্য সাধন কৰা হয়। ক্রয়-বিক্রয় আৰু লাভ-লোকচান হিচাপ ডেবিট আৰু ক্রেডিট দিশ থকা এটা হিচাপ। ডেবিট উদ্বৃত্তসমূহ (চলিত ব্যয় আৰু লোকচান সমূহক প্রতিনিধিত্ব কৰা হিচাপসমূহ) ক্রয়-বিক্রয় আৰু লাভ-লোকচান হিচাপৰ ডেবিট দিশলৈ আৰু ক্রেডিট উদ্বৃত্তসমূহ (আয়/লাভৰ হিচাপসমূহ) ইয়াৰ ক্রেডিট দিশলৈ স্থানান্তৰ কৰা হয়।

### 9.4.1 *ক্রয়-বিক্রয় আৰু লাভ-লোকচান হিচাপত জড়িত প্রাসঙ্গিক বিষয়সমূহ*
(Relevant Items in Trading and Profit and loss account)

ক্রয়-বিক্রয় আৰু লাভ-লোকচান হিচাপত দেখুওৱা বিভিন্ন বিষয়সমূহ তলত ব্যাখ্যা কৰা হ'ল ঃ

***ডেবিট দিশৰ বিষয়সমূহ ঃ***

i] ***আৰম্ভণী মজুত পণ্য ঃ*** আৰম্ভণী মজুত পণ্য মানে হৈছে ব্যৱসায় প্রতিষ্ঠানৰ হিচাপবর্ষৰ আৰম্ভণীতে হাতত মজুত থকা পণ্য সামগ্রী। আগৰ হিচাপবর্ষত ৰাহি থকা মজুত পণ্য চলিত হিচাপবর্ষলৈ একে মূল্যতে স্থানান্তৰ কৰা হয় আৰু উদ্বৃত্ত মিলন পত্রত দেখুওৱা হয়। ক্রয়-বিক্রয় হিচাপৰ ডেবিট দিশত আৰম্ভণী মজুত পণ্য লিখা হয়। কাৰণ ই চলিত হিচাপবর্ষত বিক্রী হোৱা সামগ্রীৰ ক্রয় মূল্য।

ii] ***ক্রয় বাদ ফিৰৎ ঃ*** যিবোৰ সামগ্রী পুনৰ বিক্রীৰ বাবে কিনা হয় সেইবোৰ ক্রয় হিচাপে ক্রয়-বিক্রয় হিচাপৰ ডেবিট পক্ষত দেখুওৱা হয়। নগদ বা বাকীত ক্রয় কৰা সকলোধৰণৰ সামগ্রী ক্রয় হিচাপত অন্তর্ভুক্ত হয়। পাওনাদাৰ যোগানকাৰীসকলক ফিৰৎ দিয়া সামগ্রীক ক্রয় ফিৰৎ বুলি কোৱা হয়। মুঠ ক্রয়ৰ পৰা ক্রয় ফিৰৎ বাদ দিয়াৰ পিছত থকা পৰিমাণক প্রকৃত ক্রয় বোলে।

iii] ***মজুৰি ঃ*** কাৰখানাত সামগ্রী উৎপাদন কৰিবৰ কাৰণে প্রত্যক্ষভাৱে নিয়োগ কৰা শ্রমিকক যি পাৰিশ্রমিক দিয়া হয় তাকে মজুৰি বোলে। ইয়াৰ উপৰিও ক্রয় কৰা সামগ্রী উঠোৱা-নমোৱা কৰোতেও শ্রমিকক মজুৰি দিব লগা হয়। ইয়াক ক্রয়-বিক্রয় হিচাপৰ ডেবিট পক্ষত দেখুওৱা হয়।

iv] ***ক্রয়জনিত পৰিবহণ ঃ*** ক্রয় কৰা সামগ্রীসমূহ ব্যৱসায়ৰ গুদামলৈ আনোতে বহন কৰা পৰিবহণ ব্যয়ক ক্রয়জনিত পৰিবহণ ব্যয় বোলা হয়। এইবিধ ব্যয় ক্রয়-বিক্রয় হিচাপৰ ডেবিট পক্ষত দেখুৱাব লাগে।

v] ***ইন্ধন, পানী, শক্তি, গেছ ঃ*** এইবোৰ সামগ্রী পণ্য উৎপাদন কৰোতে হোৱা প্রত্যক্ষ ব্যয়।

vi] ***টোপোলা কৰা সামগ্ৰী আৰু টোপোলাকৰণ ব্যয় ঃ*** উৎপাদিত সামগ্ৰীসমূহ নষ্ট নোহোৱাকৈ ৰাখিবলৈ টোপোলা কৰি ৰাখিব লাগে। সৰু বাচনত টোপোলা কৰি ৰখা ব্যয়ক প্ৰত্যক্ষ ব্যয় বোলে আৰু এই ব্যয় ক্ৰয়-বিক্ৰয় হিচাপত দেখুওৱা হয়। যদি এনে টোপোলা ডাঙৰ বাচনত পৰিবহনযোগে পঠাবৰ কাৰণে কৰা হয় তেতিয়া ইয়াক পৰোক্ষ ব্যয় ৰূপে গণ্য কৰা হয় আৰু লাভ-লোকচান হিচাপৰ ডেবিট পক্ষত দেখুওৱা হয়।

vii] ***দৰমহা ঃ*** ব্যৱসায় চলাই নিবৰ কাৰণে প্ৰশাসনীয় আৰু গুদাম ঘৰৰ কৰ্মচাৰীসকলক যি পাৰিশ্ৰমিক দিয়া হয় তাকে দৰমহা হিচাপে ধৰা হয়। কৰ্মচাৰীসকললৈ আগবঢ়োৱা অন্যান্য সা-সুবিধা যেনে ভাড়াবিহীন থকা ঘৰ, আহাৰ, চিকিৎসা সেৱা, ইউনিৰ্ফম ইত্যাদি দৰমহা হিচাপত ধৰা হয়। দৰমহা হিচাপ লাভ-লোকচান হিচাপৰ ডেবিট পক্ষত লিখা হয়।

viii] ***ঘৰভাড়া প্ৰদান ঃ*** অফিচ্ আৰু গুডামৰ ঘৰভাড়া, পৌৰনিগমৰ কৰ আদি এই ব্যয়ৰ অন্তৰ্ভুক্ত আৰু ইয়াক লাভ-লোকচান হিচাপৰ ডেবিট পক্ষত লিখিব লাগে। কাৰখানা ঘৰৰ ভাড়া প্ৰত্যক্ষ ব্যয়। সেয়েহে কাৰখানা ঘৰৰ ভাড়া ক্ৰয় বিক্ৰয় হিচাপৰ ডেবিট ফালে লিখিব লাগে।

ix] ***সুদ প্ৰদান ঃ*** ঋণ, বেঙ্ক অধিবিকৰ্ষ, বিনিময় বিল নবীকৰণ আদিৰ ওপৰত দিবলগীয়া সুদ ব্যৱসায়ৰ বাবে পৰোক্ষ ব্যয়। এই ব্যয় লাভ লোকচান হিচাপৰ ডেবিট পক্ষত লিখা হয়।

x] ***কমিছন বা দস্তুৰি প্ৰদান ঃ*** ব্যৱসায়ে পৰিশোধ কৰা বা পৰিশোধ কৰিবলগীয়া দস্তুৰি ব্যৱসায়ৰ বাবে ব্যয়। এই ব্যয় লাভ-লোকচান হিচাপৰ ডেবিট ফালে লিখিব লাগে।

xi] ***মেৰামতি ঃ*** মেৰামতি আৰু লঘুনবীকৰণৰ বাবে প্ৰতিস্থানটোক কাৰ্যক্ষম কৰি ৰাখিবৰ বাবে প্ৰকল্প আৰু যন্ত্ৰপাতি, আচবাব, সা-সৰঞ্জাম, লগোৱা কাৰ্য আদিৰ বাবে কৰা ব্যয় এই শিতানত পৰে। মেৰামতি খৰচ লাভ-লোকচান হিচাপৰ ডেবিট পক্ষত লিখিব লাগে।

xii] ***সানমিহলি খৰচ ঃ*** খৰচবোৰ বিভিন্ন শিৰোনামাত ভাগ কৰি দেখুওৱা হয় যদিও, কিছুমান ক্ষুদ্ৰ পৰিমাণৰ খৰচ একেলগ কৰি সানমিহলি খৰচ মানৰ হিচাপত ৰখা হয়। এনে খৰচ লাভ-লোকচান হিচাপত ডেবিট কৰা হয়।

***ক্ৰেডিট দিশৰ বিষয়সমূহ***

[1] ***বিক্ৰয় বাদ ফিৰৎ ঃ*** উদ্বৃত্ত মিলন পত্ৰত বছৰটোৰ মুঠ বিক্ৰয় হিচাপ দেখুৱা হয়। ক্ৰয়-বিক্ৰয় হিচাপৰ ক্ৰেডিট পক্ষত ইয়াক দেখুৱাব লাগে। কোনো গ্ৰাহকে ঘূৰাই পঠোৱা সামগ্ৰী বিক্ৰী ফিৰৎ হিচাপত লিখা হয়। বিক্ৰী ফিৰৎ মুঠ বিক্ৰীৰ পৰা বাদ দি প্ৰকৃত বিক্ৰীৰ পৰিমাণ দেখুওৱা হয়।

[2] ***অন্যান্য আয় ঃ*** অন্যান্য আয় যেনে— প্ৰাপ্ত ঘৰভাড়া, প্ৰাপ্ত লাভাংশ, প্ৰাপ্ত সুদ, প্ৰাপ্ত দস্তুৰি, প্ৰাপ্ত বাট্টা আদি লাভ-লোকচান হিচাপৰ ক্ৰেডিট পক্ষত লিখা হয়।

### 9.4.2 *সামৰণী প্ৰবিষ্টি (Closing Entries)*

ক্ৰয়-বিক্ৰয় আৰু লাভ-লোকচান হিচাপ তৈয়াৰ কৰিবলৈ সকলোবোৰ সংশ্লিষ্ট বিষয়ৰ হিচাপসমূহৰ উদ্বৃত্ত এই হিচাপলৈ স্থানান্তৰ কৰাটো প্ৰয়োজন।

- আৰম্ভণী মজুত পণ্য, ক্ৰয় হিচাপ, মজুৰি হিচাপ, ক্ৰয় জনিত পৰিবহন হিচাপ আৰু অন্যান্য প্ৰত্যক্ষ ব্যয়ৰ হিচাপবোৰ ক্ৰয়-বিক্ৰয় হিচাপ ডেবিট পক্ষলৈ স্থানান্তৰ কৰি বন্ধ কৰা হয়।

তলত দিয়া প্ৰবিষ্টিৰে এইটো কৰা হয় ঃ

**ক্ৰয়-বিক্ৰয় হিচাপ ডেবিট**

প্ৰতি আৰম্ভণী মজুত পণ্য হিচাপ

প্ৰতি ক্ৰয় হিচাপ

প্ৰতি মজুৰি হিচাপ

প্ৰতি ক্ৰয়জনিত পৰিবহন হিচাপ

প্ৰতি অন্যান্য প্ৰত্যক্ষ ব্যয় হিচাপ

- ক্ৰয় ফিৰৎ হিচাপৰ উদ্বৃত্ত ক্ৰয় হিচাপলৈ স্থানান্তৰ কৰি বন্ধ কৰিব লাগে। এই ক্ষেত্ৰত তলত দিয়া প্ৰবিষ্টিটো দিয়া হয় ঃ

ক্ৰয় ফিৰৎ হিচাপ ডেবিট

প্ৰতি ক্ৰয় হিচাপ

- সেইদৰে বিক্ৰী ফিৰৎ হিচাপৰ উদ্বৃত্ত বিক্ৰয় হিচাপলৈ স্থানান্তৰ কৰি বন্ধ কৰিব লাগে। প্ৰবিষ্টি তলত দিয়াৰ নিচিনা হ'ব ঃ

বিক্ৰয় হিচাপ ডেবিট

প্ৰতি বিক্ৰয় ফিৰৎ হিচাপ

- বিক্ৰয় হিচাপৰ উদ্বৃত্ত ক্ৰয়-বিক্ৰয় হিচাপৰ ক্ৰেডিট পক্ষলৈ স্থানান্তৰ কৰি বন্ধ কৰা হয় আৰু তলত দিয়া প্ৰবিষ্টি দিয়া হয় ঃ

বিক্ৰয় হিচাপ ডেবিট

প্ৰতি বিক্ৰয় হিচাপ

তলত দিয়া প্ৰবিষ্টিৰ দ্বাৰা চলিত ব্যয় আৰু লোকচান হিচাপসমূহ বন্ধ কৰা হয়ঃ

লাভ-লোকচান হিচাপে ডেবিট

প্ৰতি চলিত ব্যয় হিচাপে

প্ৰতি লোকচান হিচাপে

তলত দিয়া প্ৰবিষ্টিৰ দ্বাৰা আয়,লাভ আদিৰ হিচাপসমূহ বন্ধ কৰা হয় ঃ

| | |
|---|---|
| আয় হিচাপ | ডেবিট |
| লাভ হিচাপ | ডেবিট |
| প্ৰতি লাভ-লোকচান হিচাপ | |

উদ্বৃত্ত মিলন পত্ৰত (উদাহৰণ-1) দেখুওৱা সাতোটা আয় আৰু চলিত ব্যয়ৰ হিচাপ সামৰাৰ বাবে খতিয়নভুক্তকৰণ তলত দিয়া হ'ল ঃ

| | | | |
|---|---|---|---|
| i) চলিত ব্যয় হিচাপসমূহ সামৰাৰ কাৰণে ঃ | | | |
| ক) ক্ৰয়-বিক্ৰয় হিচাপ | ডেবিট | 83,000 | |
| প্ৰতি ক্ৰয় হিচাপ | | | 75,000 |
| প্ৰতি মজুৰি হিচাপ | | | 8,000 |
| খ) লাভ লোকচান হিচাপ | ডেবিট | 43,500 | |
| প্ৰতি দৰমহা হিচাপ | | | 25,000 |
| প্ৰতি ভৱনৰ ভাড়া হিচাপ | | | 13,000 |
| প্ৰতি অনুদ্ধাৰণীয় ঋণ হিচাপ | | | 4,500 |
| ii) আয় হিচাপসমূহসামৰাৰ কাৰণে ঃ | | | |
| ক) বিক্ৰয় হিচাপ | ডেবিট | 1,25,000 | |
| প্ৰতি ক্ৰয়-বিক্ৰয় হিচাপ | | | 1,25,000 |
| খ) প্ৰাপ্ত দস্তুৰি হিচাপ | ডেবিট | 5,000 | |
| প্ৰতি লাভ-লোকচান হিচাপ | | | 5,000 |

খতিয়নভুক্তকৰণ তলত দিয়া ধৰণে দেখুৱাব পাৰি—

ক্রয় হিচাপ

ডেঃ ক্রেঃ

| তাৰিখ | বিৱৰণ | জাঃ পৃঃ | টকাৰ পৰিমাণ | তাৰিখ | বিৱৰণ | জাঃ পৃঃ | টকাৰ পৰিমাণ |
|---|---|---|---|---|---|---|---|
| | আৰম্ভণী উদ্বৃত্ত | | 75,000 | | ক্রয়-বিক্রয় হিচাপ | | 75,000 |
| | | | 75,000 | | | | 75,000 |

মজুৰি হিচাপ

ডেঃ ক্রেঃ

| তাৰিখ | বিৱৰণ | জাঃ পৃঃ | টকাৰ পৰিমাণ | তাৰিখ | বিৱৰণ | জাঃ পৃঃ | টকাৰ পৰিমাণ |
|---|---|---|---|---|---|---|---|
| | আৰম্ভণী উদ্বৃত্ত | | 8,000 | | ক্রয়-বিক্রয় হিচাপ | | 8,000 |
| | | | 8,000 | | | | 8,000 |

দৰমহা হিচাপ

ডেঃ ক্রেঃ

| তাৰিখ | বিৱৰণ | জাঃ পৃঃ | টকাৰ পৰিমাণ | তাৰিখ | বিৱৰণ | জাঃ পৃঃ | টকাৰ পৰিমাণ |
|---|---|---|---|---|---|---|---|
| | আৰম্ভণী উদ্বৃত্ত | | 25,000 | | লাভ-লোকচান হিচাপ | | 25,000 |
| | | | 25,000 | | | | 25,000 |

ভৱন ভাড়া হিচাপ

ডেঃ ক্রেঃ

| তাৰিখ | বিৱৰণ | জাঃ পৃঃ | টকাৰ পৰিমাণ | তাৰিখ | বিৱৰণ | জাঃ পৃঃ | টকাৰ পৰিমাণ |
|---|---|---|---|---|---|---|---|
| | আৰম্ভণী উদ্বৃত্ত | | 13,000 | | লাভ-লোচকান হিচাপ | | 13,000 |
| | | | 13,000 | | | | 13,000 |

অনুদ্ধাৰণীয় ঋণ পূজি হিচাপ

ডেঃ ক্রেঃ

| তাৰিখ | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ (টকা) | তাৰিখ | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ (টকা) |
|---|---|---|---|---|---|---|---|
| | আৰম্ভণী উদ্বৃত্ত | | 4,500 | | লাভ-লোচকান হিচাপ | | 4,500 |
| | | | 4,500 | | | | 4,500 |

বিক্ৰী হিচাপ

ডেঃ ক্রেঃ

| তাৰিখ | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ (টকা) | তাৰিখ | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ (টকা) |
|---|---|---|---|---|---|---|---|
| | ক্রয়বিক্রয় হিচাপ | | 1,25,000 | | আৰম্ভণি উদ্বৃত্ত | | 1,25,000 |
| | | | 1,25,000 | | | | 1,25,000 |

প্ৰাপ্ত দস্তুৰি হিচাপ

ডেঃ ক্রেঃ

| তাৰিখ | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ (টকা) | তাৰিখ | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ (টকা) |
|---|---|---|---|---|---|---|---|
| | লাভ-লোকচান হিচাপ | | 5,000 | | আৰম্ভণি উদ্বৃত্ত | | 5,000 |
| | | | 5,000 | | | | 5,000 |

এতিয়া ক্রয়-বিক্রয় আৰু লাভ-লোকচান হিচাপ উদ্বৃত্ত মিলন পত্ৰৰ পৰা কিদৰে তৈয়াৰ কৰে সেই বিষয়ে শিকা হ'ব। এই হিচাপৰ আৰ্হি অংক নম্বৰ 9.2 ত দেখুওৱা হ'ল। কিন্তু এই আৰ্হিখন যথেষ্ট নহয়। ইয়াৰ উপৰি অন্য কিছুমান বিষয় এই হিচাপত অন্তৰ্ভুক্ত হ'ব। যাৰ ফলত তলত উল্লেখিত আৰ্হিৰ সাল সলনি হ'ব।

**ABC ৰ ক্রয়-বিক্রয় আৰু লাভ-লোকচান হিচাপ (2005 চনৰ 31 মার্চত অন্তপৰা বছৰ)**

ডেঃ ক্রেঃ

| ব্যয় / লোকচান | পৰিমাণ (টকা) | আয়/লাভ | পৰিমাণ (টকা) |
|---|---|---|---|
| আৰম্ভণী মজুত পণ্য | .......... | বিক্রী | .......... |
| ক্রয় | .......... | | |
| মজুৰি | .......... | | |
| ক্রয়জনিত পৰিবহণ | | | |
| মুঠ লাভ[1] | | | |
| মুঠ লোকচান[1] | xxx | | xxx |
| ভাড়া আৰু কৰ | .......... | | .......... |
| দৰমহা | .......... | মুঠ লাভ[2] | .......... |
| মেৰামতি ও নবীকৰণ | .......... | প্রাপ্ত সুদ | .......... |
| অনুদ্ধাৰণীয় ঋণ | .......... | | |
| প্রকৃত লাভ (মূলধন হিচাপলৈ স্থানান্তৰ) | xxx | প্রকৃত লোকচান[2] | |
| | | | xxx |

*[1,2]ৰ যিকোনো এটাহে হ'ব*

Fig 9.2 : *ক্রয়-বিক্রয় আৰু লাভ-লোকচান হিচাপৰ আর্হি*

### 9.4.3 *মুঠ লাভ আৰু প্রকৃত লাভৰ ধাৰণা* (Concept of Gross Profit and Net Profit)

ক্রয়-বিক্রয় আৰু লাভ-লোকচান হিচাপ দুটা একেলগ কৰি এটা হিচাপৰ দৰে দেখুৱাব পাৰি। অর্থ্যাৎ ক্রয়-বিক্রয় আৰু লাভ-লোকচান হিচাপ। ক্রয়-বিক্রয় হিচাপে বা প্রথম অংশটোৱে মুঠ লাভ বা মুঠ লোকচান নির্ণয় অৰু লাভ-লোকচান হিচাপে বা দ্বিতীয় অংশটোৱে প্রকৃত লাভ বা প্রকৃত লোকচান নির্ধাৰণ কৰে।

***ক্রয়-বিক্রয় হিচাপ*** *(Trading Account)*

ক্রয়-বিক্রয় হিচাপে ব্যৱসায় প্রতিষ্ঠানৰ মূল কার্যকৰী কাম-কাজৰ ফলাফল নির্ধাৰণ কৰে। পণ্য সামগ্রী উৎপাদন, ক্রয় আৰু বিক্রীৰ সৈতে মূল কার্যকৰী কামবোৰ জড়িত। সামগ্রীসমূহ বিক্রী বা

গ্ৰাহক সকলক আগবঢ়োৱা সেৱাৰ পৰা লাভ হৈছে নে নাই জানিবলৈ এই হিচাপ প্ৰস্তুত কৰা হয়। ব্যৱসায় প্ৰতিষ্ঠানত ক্ৰয় হৈছে চলিত ব্যৱসায় সমূহৰ প্ৰধান আৱশ্যকীয় অংশ। ক্ৰয়ৰ উপৰি বাকী থকা চলিত ব্যয়সমূহক দুটা ভাগত ভাগ কৰা হয়। সেই ভাগ দুটা হ'ল প্ৰত্যক্ষ ব্যয় আৰু পৰোক্ষ ব্যয়।

উৎপাদনৰ লগত প্ৰত্যক্ষভাৱে জড়িত ব্যয়সমূহক আৰু ক্ৰয় কৰি আন সামগ্ৰীবোৰ বিক্ৰীৰ বাবে যোগ্য কৰি তুলিবলৈ যিখিনি ব্যয় কৰা হয় তাক প্ৰত্যক্ষ ব্যয় বোলা হয়। ক্ৰয়জনিত পৰিবহন, জাহাজৰ ভাড়া, মজুৰি, কাৰখানাৰ লাইট, কয়লা, পানী, ইন্ধন, উৎপাদনৰ স্বত্ব কৰ আদি প্ৰত্যক্ষ ব্যয়ৰ অন্তৰ্ভূক্ত। উদাহৰণ- 1ত ক্ৰয়ৰ উপৰি আন চাৰিবিধ ব্যয় তলিকাভুক্ত কৰা হৈছে। সেইবোৰ হ'ল- মজুৰি, দৰমহা, ভৱনৰ ভাড়া আৰু অনুদ্ধাৰণীয় ঋণ। এই ব্যয়সমূহৰ ভিতৰত মজুৰি হৈছে প্ৰত্যক্ষ ব্যয় আৰু বাকী তিনিবিধ হৈছে পৰোক্ষ ব্যয়।

এইদৰে ব্যৱসায় প্ৰতিষ্ঠানৰ বাবে বিক্ৰী হৈছে আয় সমূহৰ ভিতৰৰ এবিধ আৱশ্যকীয় অংশ। বিক্ৰীৰ পৰা ক্ৰয় আৰু প্ৰত্যক্ষ ব্যয়সমূহ বাদ দিয়াৰ পিছত থকা অতিৰিক্তখিনিক মুঠ লাভ বোলে। যদি ক্ৰয় আৰু প্ৰত্যক্ষ ব্যয়ৰ পৰিমাণ বিক্ৰীৰ পৰিমাণতকৈ বেছি হয় তেতিয়া বাকী থকা অংশটোক মুঠ লোকচান বোলে। মুঠ লাভ নিৰ্দ্ধাৰণ তলত দিয়া সমীকৰণৰ ৰূপত দেখুৱাব পাৰি ঃ

মুঠ লাভ = বিক্ৰী - (ক্ৰয় + প্ৰত্যক্ষ ব্যয়)

মুঠ লাভ বা মুঠ লোকচানৰ পৰিমাণ লাভ-লোকচান হিচাপলৈ স্থানান্তৰ কৰা হয়।

পৰোক্ষ ব্যয়সমূহ লাভ-লোকচান হিচাপৰ ডেবিট পক্ষত লিখিব লাগে। বিক্ৰী পৰিমাণৰ বাহিৰে সকলো আয় আৰু লাভৰ হিচাপ লাভ লোকচান হিচাপৰ ক্ৰেডিট পক্ষত লিখিব লাগে। যদি লাভ-লোকচান হিচাপৰ ক্ৰেডিট পক্ষৰ মুঠ পৰিমাণ ডেবিট পক্ষৰ মুঠ পৰিমাণতকৈ বেছি হয়, তেনে পাৰ্থক্যখিনিক প্ৰকৃত লাভ বুলি কোৱা হয়। আনহাতে যদি লাভ-লোকচান হিচাপৰ ডেবিট পক্ষৰ মুঠ পৰিমাণ ক্ৰেডিট পক্ষৰ মুঠ পৰিমাণতকৈ বেছি হয়, তেনে পাৰ্থক্যখিনিক প্ৰকৃত লোকচান বুলি কোৱা হয়। ইয়াক সমীকৰণ ৰূপত তলত দিয়া ধৰণে দেখুৱাব পাৰি ঃ

প্ৰকৃত লাভ = মুঠ লাভ + অন্যান্য আয় - পৰোক্ষ ব্যয়

প্ৰকৃত লাভ বা লোকচান নিৰ্ণয় কৰি উদ্বৃত্ত পত্ৰৰ মূলধন হিচাপলৈ স্থানান্তৰ কৰা হয় ঃ

i) প্ৰকৃত লাভ স্থানান্তৰৰ বাবে

লাভ-লোকচান হিচাপ ডে.

প্ৰতি মূলধন হিচাপ

ii) প্ৰকৃত লোকচান স্থানান্তৰৰ বাবে ঃ

মূলধন হিচাপ ডে.

প্ৰতি লাভ-লোকচান হিচাপ

2005 চনৰ 31 মাৰ্চত অন্তপৰা বছৰটোৰ বাবে অংকিতৰ মুঠ লাভ আৰু প্ৰকৃত লাভ দেখুৱাবলৈ আমি পুনৰ ক্ৰয়-বিক্ৰয় আৰু লাভ-লোকচান হিচাপ অংকন কৰিম।

অংকিতৰ ক্ৰয়-বিক্ৰয় আৰু লাভ-লোকচান হিচাপ
2005 চনৰ 31 মাৰ্চত অন্তপৰা বৰ্ষৰ বাবে

ডেঃ ক্ৰেঃ

| ব্যয়/লোকচান | পৰিমাণ (টকা) | আয়/লাভ | পৰিমাণ (টকা) |
|---|---|---|---|
| ক্ৰয় | 75,000 | বিক্ৰী | 1,25,000 |
| মজুৰি | 8,000 | | |
| **মুঠ লাভ** | **42,000** | | |
| | 1,25,000 | | 1,25,000 |
| দৰমহা | 25,000 | মুঠ লাভ | **42,000** |
| ভৱনৰ ভাড়া | 13,000 | প্ৰাপ্ত দস্তুৰি | 5,000 |
| অনুদ্ধাৰণীয় ঋণ | 4,500 | | |
| **প্ৰকৃত লাভ (মূলধন হিচাপলৈ স্থানান্তৰ)** | **4,500** | | |
| | **47,000** | | **47,000** |

Fig 9.3 : *অংকিতৰ মুঠ লাভ আৰু প্ৰকৃত লাভ নিৰ্ণয়।*

ইয়াত ব্যৱসায়ৰ মূল কাৰ্যকৰী কামবোৰৰ ফলাফল অৰ্থাৎ মুঠ লাভ 42,000 টকা নিৰ্ণয় হৈছে। মুঠ লাভ ক্ৰয়-বিক্ৰয় হিচাপৰ পৰা লাভ-স্থানান্তৰ কৰা হয়। মুঠ লাভ-লোকচান হিচাপলৈ স্থানান্তৰ কৰা হয়। মুঠ লাভৰ উপৰিও ব্যৱসায়ে দস্তুৰি বাবদ 5,000 টকাৰ আয় উপাৰ্জন কৰিছে আৰু 42,500 টকা (25,000+13,000+4,500 টকা) দৰমহা, ঘৰভাড়া আৰু অনুদ্ধাৰণীয় ঋণ বাবদ খৰচ কৰিছে। গতিকে প্ৰকৃত লাভ4,500 টকা নিৰ্ণয় হৈছে।

***উদাহৰণ 1***

2006 চনৰ 31 মাৰ্চত অন্তপৰা বছৰটোৰ বাবে তলত দিয়া বিৱৰণ সমূহৰ পৰা এখন ক্ৰয়-বিক্ৰয় হিচাপ প্ৰস্তুত কৰা ঃ

| | টকা |
|---|---|
| আৰম্ভণী মজুত পণ্য | 37,500 |

| | |
|---|---|
| ক্ৰয় | 1,05,000 |
| বিক্ৰী | 2,70,000 |
| মজুৰি | 30,000 |

**সমাধান ঃ**

**ক্ৰয়-বিক্ৰয় হিচাপ**

**2006 চনৰ 31 মাৰ্চত অন্তপৰা বছৰটোৰ বাবে**

ডেঃ ক্ৰেঃ

| ব্যয়/লোকচান | পৰিমাণ (টকা) | আয়/লাভ | পৰিমাণ (টকা) |
|---|---|---|---|
| আৰম্ভণী মজুত পণ্য | 37,500 | বিক্ৰী | 2,70,500 |
| ক্ৰয় | 1,05,000 | | |
| মজুৰি | 30,000 | | |
| মুঠ লাভ | 97,500 | | |
| | 2,70,000 | | 2,70,000 |

উদাহৰণ - 2

তলত দিয়া 2005-06 বছৰটোৰ বিৰৰণ সমূহৰ পৰা মেচাৰ্চ প্ৰাইম প্ৰডাক্টৰ এখন ক্ৰয়-বিক্ৰয় হিচাপ তৈয়াৰ কৰা।

| | টকা |
|---|---|
| আৰম্ভণী মজুত পণ্য | 50,000 |
| ক্ৰয় | 1,10,000 |
| বিক্ৰয় ফিৰৎ | 5,000 |
| বিক্ৰী | 3,00,000 |
| ক্ৰয় ফিৰৎ | 7,000 |
| কাৰখানাৰ ভাড়া | 30,000 |
| মজুৰি | 40,000 |

**সমাধান ঃ**

প্ৰাইম প্ৰডাক্টৰ বহী
ক্ৰয়-বিক্ৰয় হিচাপ
2006 চনৰ 31 মাৰ্চত অন্তপৰা বছৰটোৰ বাবে

ডেঃ ক্ৰেঃ

| ব্যয়þûলোকচান | টকাৰ পৰিমাণ | আয়/লাভ | টকাৰ পৰিমাণ |
|---|---|---|---|
| আৰম্ভণী মজুত পণ্য | 50,000 | বিক্ৰী | 3,00,000 |
| পণ্য ক্ৰয় 1,10,000 | | বাদ, বিক্ৰী ফিৰৎ (5,000) | 2,95,000 |
| বাদ, ক্ৰয় ফিৰৎ (7,000) | 1,03,000 | | |
| কাৰখানাৰ ভাড়া | 30,000 | | |
| মজুৰি | 40,000 | | |
| মুঠ লাভ | 72,000 | | |
| | 2,95,000 | | 2,95,000 |

**উদাহৰণ 3**

তলত দিয়া 2005-06 চনৰ তথ্যৰ পৰা মেচাৰ্চ অঞ্জলীৰ এখন ক্ৰয়-বিক্ৰয় হিচাপ প্ৰস্তুত কৰা।

| | টকা |
|---|---|
| আৰম্ভণী মজুত পণ্য | 60,000 |
| ক্ৰয় | 3,00,000 |
| বিক্ৰী | 7,50,000 |
| ক্ৰয় ফিৰৎ | 18,000 |
| বিক্ৰয় ফিৰৎ | 30,000 |
| ক্ৰয়জনিত পৰিবহন | 12,000 |
| বিক্ৰীজনিত পৰিবহন | 15,000 |
| কাৰখানাৰ ভাড়া | 18,000 |
| কাৰ্যালয় ভাড়া | 18,000 |
| জাহাজ আৰু খালাচ ব্যয় | 48,000 |

জাহাজৰ ভাড়া আৰু মাচুল 6,500
কয়লা, গেছ আৰু পানী 10,000

সমাধান ঃ

মেচার্চ অঞ্জলীৰ বহী
ক্রয়-বিক্রয় হিচাপ
2005-06 অন্তপৰা বছৰটোৰ বাবে

ডেঃ ক্ৰেঃ

| ব্যয়/লোকচান | পৰিমাণ (টকা) | আয়/লাভ | পৰিমাণ (টকা) |
|---|---|---|---|
| আৰম্ভণী মজুত পণ্য | 60,000 | বিক্রী 7,50,000 | |
| পণ্য ক্রয় 3,00,000 | | বাদ, বিক্রী (30,000) | 7,20,000 |
| বাদ, ক্রয় ফিৰৎ (7000) | 2,82,000 | | |
| ক্রয়জনিত পৰিবহন | 12,000 | | |
| কাৰখানাৰ ভাড়া | 18,000 | | |
| জাহাজ অৰু খালাচ ব্যয় | 48,000 | | |
| জাহাজৰ ভাড়া আৰু মাচুল | 6,500 | | |
| কয়লা, গেছ আৰু পানী | 10,000 | | |
| মুঠ লাভ | 2,83,500 | | |
| | 7,20,000 | | 7,20,000 |

উদাহৰণ 4

তলত দিয়া তথ্যসমূহৰ পৰা 2005 চনৰ 31 মার্চত অন্তপৰা বছৰটোৰ এখন লাভ-লোকচান হিচাপ তৈয়াৰ কৰা।

| | টকা |
|---|---|
| মুঠ লাভ | 60,000 |
| ভাড়া | 5,000 |
| দৰমহা | 15,000 |

| | |
|---|---|
| দস্তুৰি পৰিশোধ | 7,000 |
| ঋণৰ ওপৰত সুদ | 5,000 |
| বিজ্ঞাপন | 4,000 |
| প্ৰাপ্ত বাট্টা | 3,000 |
| ছপা আৰু মনোহাৰী | 2,000 |
| আইনগত ব্যয় | 5,000 |
| অনুদ্ধাৰণীয় ঋণ | 1,000 |
| অৱক্ষয় | 2,000 |
| প্ৰাপ্ত সুদ | 4,000 |
| জুয়ে পোৰা ক্ষতি | 3,000 |

লাভ-লোকচান হিচাপ

2005 চনৰ 31 মাৰ্চত অন্তপৰা বছৰটোৰ বাবে

ডেঃ ক্ৰেঃ

| চলিত ব্যয়/লোকচান | পৰিমাণ (টকা) | আয়/লাভ | পৰিমাণ (টকা) |
|---|---|---|---|
| ভাড়া | 5,000 | মুঠ লাভ | 60,000 |
| দৰমহা | 15,000 | প্ৰাপ্ত বাট্টা | 3,000 |
| দস্তুৰি | 7,000 | প্ৰাপ্ত সুদ | 4,000 |
| ঋণৰ ওপৰত সুদ | 5,000 | | |
| বিজ্ঞাপন | 4,000 | | |
| ছপা আৰু মনোহাৰী | 2,000 | | |
| আইনগত ব্যয় | 5,000 | | |
| অনুদ্ধাৰণীয় ঋণ | 1,000 | | |
| অৱক্ষয় | 2,000 | | |
| জুয়ে পোৰা ক্ষতি | 3,000 | | |
| প্ৰকৃত লাভ(মূলধন হিচাপলৈ স্থানান্তৰ) | 18,000 | | |
| | 67,000 | | 67,000 |

**কি বুজিলা চোৱা ঃ 1**

1. সত্য নে অসত্য কোৱা ঃ

i) মুঠ লাভ মানে মুঠ আয়

ii) ক্রয়-বিক্রয় আৰু লাভ-লোকচান হিচাপৰ ডেবিট পক্ষত আৰম্ভণী মাজুত পণ্য দেখুওৱা হয় কাৰণ চলিত হিচাপ বৰ্ষৰ কাৰণে ই বিক্রী ব্যয়ৰ অংশ।

iii) ঘৰভাৰা আৰু কৰ হৈছে প্ৰত্যক্ষ ব্যয়ৰ উদাহৰণ।

vi) যদি লাভ-লোকচান হিচাপৰ ক্রেডিট পক্ষৰ টকাৰ পৰিমাণ ডেবিট পক্ষৰ টকাৰ পৰিমাণতকৈ বেছি হয় তেন্তে পাৰ্থক্যখিনিক প্ৰকৃত লাভ বুলি কোৱা হয়।

2. 'A' ৰ অধীনৰ বিষয়বোৰৰ সৈতে 'B'ৰ শুদ্ধ বিষয়বোৰৰ লগত মিলন ঘটোৱা ঃ

| | |
|---|---|
| i) সামৰণী মজুত পণ্য ক্রেডিত হয় | i) উদ্বৃত্ত মিলন পত্ৰ |
| ii) হিচাপ বহীৰ শুদ্ধতা পৰীক্ষা কৰা হয় | ii) ক্রয়-বিক্রয় হিচাপ |
| iii) বিক্ৰেতালৈ সামগ্ৰী ঘূৰাই পঠালে, গ্ৰাহকে পঠাব লাগে | iii) ক্রেডিট পত্ৰ |
| vi) বিত্তীয় অৱস্থা নিৰ্দ্ধাৰণ কৰা হয় | vi) উদ্বৃত্ত পত্ৰ |
| v) গ্ৰাহকৰ পৰা সামগ্ৰী ঘূৰাই পোৱাৰ পিছত বিক্ৰেতাই পঠাব লাগে | v) ডেবিট পত্ৰ |

### 9.4.4 বিক্ৰী হোৱা সামগ্ৰীৰ ব্যয় আৰু সামৰণী মজুত পণ্য/ক্রয়/বিক্রয় হিচাপ পুনৰ দৰ্শন

(Cost of Goods Sold and Closing Stock-Trading Account Revisited)

9.3 Fig ত প্ৰস্তুত কৰা ক্রয়-বিক্রয় আৰু লাভ-লোকচান হিচাপে দৰকাৰী তথ্যৰ উপস্থাপন কৰিছে। অৰ্থাৎ ব্যৱসায় প্ৰতিষ্ঠানৰ মূল কাম-কাজৰ পৰা হোৱা লাভৰ বিষয়ে তথ্য দাঙি ধৰিছে। উক্ত ক্রয়-বিক্রয় হিচাপটো পুনৰ বিবেচনাৰ কাৰণে উপস্থাপন কৰা হ'ল।

অংকিতৰ ক্রয়-বিক্রয় হিচাপ
2005 চনৰ 31 মাৰ্চত অন্তপৰা বছৰটোৰ বাবে

ডেঃ ক্রেঃ

| ব্যয়/লোকচান | পৰিমাণ (টকা) | আয়/লাভ | পৰিমাণ (টকা) |
|---|---|---|---|
| ক্রয় | 75,000 | বিক্রী | 1,25,000 |
| মজুৰি | 8,000 | | |
| মুঠ লাভ | 42,000 | | |
| | 1,25,000 | | 1,25,000 |

Fig 9.4 : *অংকিতৰ ক্রয়-বিক্রয়ৰ বিৱৰণ*

যদি ক্রয়-বিক্রয় হিচাপত আৰম্ভণী আৰু সামৰণী মজুত পণ্য দিয়া নাথাকে, ক্রয় আৰু প্রত্যক্ষ ব্যয়ৰ মুঠ পৰিমাণক বিক্রী হোৱা সামগ্রীৰ ক্রয় মূল্য হিচাপে লোৱা হয়। আমাৰ উদাহৰণটোত ক্রয় বাবদ 75,000 টকা আৰু প্রত্যক্ষ ব্যয়ৰ পৰিমাণ হ'ল 8,000 টকা। গতিকে তলত দিয়া সূত্রটো ব্যৱহাৰ কৰি বিক্রী হোৱা সামগ্রীৰ ক্রয়মূল্য নির্ণয় কৰা হব ঃ

বিক্রী হোৱা সামগ্রী ক্রয়মূল্য = ক্রয় + প্রত্যক্ষ ব্যয়
= 75000 টকা + 8,000 টকা
= 83,000 টকা

যিহেতু আমাৰ উদাহৰণটোত অবিক্রীত বা মজুত পণ্য নাই গতিকে ক্রয় কৰা সামগ্রীখিনি সম্পূর্ণৰূপে বিক্রী হোৱা বুলি ধৰা হৈছে। কিন্তু কার্যত, হিচাপবর্ষৰ শেষত কিছুপৰিমাণৰ মজুত পণ্য থাকে। আমাৰ এই উদাহৰণটোত ধৰা হ'ল যে চলিত বর্ষত ক্রয় কৰা 75,000 টকাৰ সামগ্রীৰ ভিতৰত অংকিতে 60,000 টকাৰ সামগ্রী বিক্রী কৰিলে। এনে পৰিস্থিতিত ব্যৱসায়ীৰ হাতত 15,000 টকা মূল্যৰ অবিক্রীত সামগ্রী থাকিব। অবিক্রীত সামগ্রীখিনিক সামৰণী মজুত পণ্য বুলি কোৱা হয়। তলত দিয়া সমীকৰণটোৰ পৰা বিক্রী হোৱা সামগ্রীৰ ক্রয়মূল্য নির্দ্ধাৰণ কৰিব পাৰি ঃ

বিক্রী হোৱা সামগ্রীৰ ক্রয়মূল্য = ক্রয় + প্রত্যক্ষ ব্যয় - সামৰণী মজুত পণ্য
= 75,000 টকা + 8,000 টকা – 15,000 টকা

সামৰণী মজুত পণ্য দেখওৱাৰ ফলত মুঠ লাভৰ পৰিমাণ 42,000 টকাৰ (Fig 9.4ত নির্দ্ধাৰণ কৰা) পৰা 57,000 টকা (Fig 9.5 ত লক্ষ্য কৰা) হব। অর্থাৎ মুঠ লাভৰ পৰিমাণৰ পৰিবর্তন ঘটিছে।

অংকিতৰ ক্ৰয়-বিক্ৰয় হিচাপ

2005 চনৰ 31মাৰ্চত অন্তপৰা বৰ্ষৰ বাবে

ডেঃ ক্ৰেঃ

| ব্যয়/লোকচান | পৰিমাণ (টকা) | আয়/লাভ | পৰিমাণ (টকা) |
|---|---|---|---|
| ক্ৰয় | 75,000 | বিক্ৰী | 1,25,000 |
| মজুৰি | 8,000 | **সামৰণী মজুত পণ্য** | **15,000** |
| **মুঠ লাভ** | **57,000** | | |
| | **1,40,000** | | **1,40,000** |
| দৰমহা | 25,000 | মুঠ লাভ | 42,000 |
| ভৱনৰ ভাড়া | 13,000 | প্ৰাপ্ত দস্তুৰি | 5,000 |
| অনুদ্ধাৰণীয় ঋণ | 4,500 | | |
| **প্ৰকৃত লাভ(মূলধন হিচাপলৈ স্থানান্তৰ)** | **19,500** | | |
| | 62,000 | | 62,000 |

**Fig 9.5 ঃ অংকিতৰ ক্ৰয়-বিক্ৰয় হিচাপ**

লক্ষ্য কৰিবলগীয়া যে সামৰণী মজুত পণ্য উদ্বৃত্ত মিলন পত্ৰৰ অংশ হিচাবে দেখুওৱা নহয়। তলত দিয়া জাবেদা প্ৰবিষ্টিৰ সহায়ত হিচাপ বহীত অনা হয় ঃ

সামৰণী মজুত পণ্য হিচাপ ডেবিট

প্ৰতি ক্ৰয়-বিক্ৰয় হিচাপ

এই প্ৰবিষ্টিটোৱে সম্পত্তিৰ এটা নতুন হিচাপ খুলিছে অৰ্থাৎ সামৰণী মজুত পণ্য 15,000 টকা যিটো উদ্বৃত্ত পত্ৰও স্থানান্তৰিত কৰা হয়। পিছৰ বছৰত এই সামৰণী মজুত পণ্যখিনি আৰম্ভণী মজুত পণ্য হব আৰু সেই বছৰত বিক্ৰী কৰা হব। প্ৰায়ভাগ ক্ষেত্ৰত ব্যৱসায়ৰ প্ৰতিবছৰে আৰম্ভণী আৰু সামৰণী মজুত পণ্য থকা দেখা যায়। এনে ক্ষেত্ৰত তলত দিয়া সমীকৰণৰ সহায়ত বিক্ৰী হোৱা সামগ্ৰীৰ ক্ৰয় মূল্য উলিয়াব লগিব ঃ

বিক্ৰী হোৱা সামগ্ৰীৰ ক্ৰয় মূল্য = আৰম্ভণী মজুত পণ্য + ক্ৰয় + প্ৰত্যক্ষ ব্যয় - সামৰণী মজুত পণ্য

5 নম্বৰ উদাহৰণত ইয়াক কেনেদৰে নিৰ্দ্ধাৰণ কৰা হৈছে চোৱা।

উদাহৰণ 5

তলত দিয়া তথ্যসমূহৰ পৰা 2005 বৰ্ষৰ বাবে ক্ৰয়-বিক্ৰয় হিচাপ প্ৰস্তুত কৰা।

| | টকা |
|---|---|
| বিক্ৰী | 20,00,000 |
| ক্ৰয় | 15,00,000 |
| মুজুৰি | 1,00,000 |
| মজুত পণ্য (1এপ্ৰিল, 2004] | 3,00,000 |
| মজুত পণ্য (31 মাৰ্চ, 2005] | 4,00,000 |
| ক্ৰয়জনিত ভাড়া | 1,00,000 |

*সমাধান ঃ*

**বিক্ৰী হোৱা সামগ্ৰীৰ ক্ৰয় মূল্য নিৰ্ণয়**

| বিৱৰণ | পৰিমাণ (টকা) |
|---|---|
| আৰম্ভণী মাজুত পণ্য | 3,00,000 |
| যোগ ঃ ক্ৰয় প্ৰত্যক্ষ ব্যয় ঃ | যোগ ঃ ক্ৰয় 15,00,000 |
| ক্ৰয় জনিত প্ৰত্যক্ষ ব্যয় ভাড়া | ক্ৰয়জিনত ভাড়া 1,00,000 |
| মজুৰি | মজুৰি 1,00,000 |
| | 20,00,000 |
| বাদ সামৰণী মজুত পণ্য | (4,00,000) |
| বিক্ৰী হোৱা সামগ্ৰীৰ ক্ৰয়মূল্য | 16,00,000 |

ক্ৰয়-বিক্ৰয় হিচাপ

2005 চনৰ 31 মাৰ্চত অন্তপৰা বছৰটোৰ বাবে

ডেঃ ক্ৰেঃ

| ব্যয়/লোকচান | পৰিমাণ(টকা) | আয়/লাভ | পৰিমাণ(টকা) |
|---|---|---|---|
| আৰম্ভণী মজুত পণ্য | 3,00,000 | বিক্ৰী | 20,00,000 |
| ক্ৰয় | 15,00,000 | সামৰণী মজুত পণ্য | 4,00,000 |
| ক্ৰয়জনিত ভাড়া | 1,00,000 | | |
| মজুৰি | 1,00,000 | | |
| মুঠ লাভ | 4,00,000 | | |
| | 24,00,000 | | 24,00,000 |

উদাহৰণ 6

মিঃ এইচ্ বলৰামৰ হিচাপৰ পৰা তলত দিয়া উদ্বৃত্ত সমূহ লোৱা হ'ল। ক্ৰয়-বিক্ৰয় আৰু লাভ-লোকচান হিচাপ প্ৰস্তুত কৰা।

| | টকা | | টকা |
|---|---|---|---|
| মজুত পণ্য (1 এপ্ৰিল 2004) | 8,000 | অনুদ্ধাৰণীয় ঋণ | 1,200 |
| বছৰটোৰ ক্ৰয় | 22,000 | ভাৰা | 1,200 |
| বছৰটোৰ বিক্ৰী | 42,000 | প্ৰদত্ত বাট্টা | 600 |
| ক্ৰয়জনিত ব্যয় | 2,500 | দস্তুৰি পৰিশোধ | 1,100 |
| দৰমহা আৰু মজুৰি | 3,500 | বিক্ৰীজনিত ব্যয় | 600 |
| বিজ্ঞাপন | 1,000 | মেৰামতি | 600 |

2005 চনৰ 31 মাৰ্চত সামৰণী মজুত পণ্য 4500 টকা

এইচ বলৰামৰ বহী
ক্রয়-বিক্রয় আৰু লাভ লোকচান হিচাপ
2005 চনৰ 31 মাৰ্চত অন্তপৰা বছৰটোৰ বাবে

ডেঃ ক্ৰেঃ

| ব্যয়/লোকচন | পৰিমাণ (টকা) | আয়/লাভ | পৰিমাণ (টকা) |
|---|---|---|---|
| আৰম্ভণী মজুত পণ্য | 8,000 | বিক্ৰী | 42,000 |
| ক্ৰয় | 22,000 | সামৰণী মজুত পণ্য | 45,00 |
| ক্ৰয়জনিত ব্যয় | 2,500 | | |
| মুঠ লাভ | 14,000 | | |
| | 46,500 | | 46,500 |
| দৰমহা আৰু মজুৰি | 3,500 | মুঠ লাভ | 14,000 |
| ভাড়া | 1,200 | | |
| বিজ্ঞাপন | 1,000 | | |
| দস্তুৰি | 1,100 | | |
| প্ৰদত্ত বাট্টা | 600 | | |
| অনুদ্ধাৰণীয় ঋণ | 1200 | | |
| বিক্ৰীজনিত ব্যয় | 600 | | |
| মেৰামতি | 600 | | |
| প্ৰকৃত লাভ (মূলধন হিচাপলৈ স্থানান্তৰ) | 4,200 | | |
| | 14,000 | | 14,000 |

## 9.5 কাৰ্যকৰী লাভ {Operating Profit (EBIT)}

কাৰ্যকৰী লাভ মানে ব্যৱসায়ৰ সাধাৰণ কাৰ্য আৰু কাম-কাজৰ দ্বাৰা অৰ্জন কৰা লাভ। কাৰ্যকৰী ব্যয়তকৈ কাৰ্যকৰী ৰাজহৰ অতিৰিক্তখিনিক কাৰ্যকৰী লাভ বোলে। কাৰ্যকৰী লাভ নিৰ্ণয় কৰোতে বিত্তীয় প্ৰকৃত আয় আৰু সুদ হিচাপত লোৱা নহয়। গতিকে দিবলগীয়া কৰ আৰু সুদ হিচাপত লোৱাৰ আগতে হোৱা লাভক কাৰ্যকৰী লাভ বোলা হয়। ঠিক একেদৰে অস্বাভাৱিক বিষয়সমূহো যেনে জুইৰ দ্বাৰা হোৱা ক্ষতি আদিও হিচাপত ধৰা নহয়। কাৰ্যকৰী লাভ তলত দিয়া ধৰণে নিৰ্ণয় কৰা হয় ঃ

কাৰ্যকৰী লাভ = প্ৰকৃত লাভ + অকাৰ্যকাৰী ব্যয় - অকাৰ্যকৰী আয়

উদাহৰণ - 1 ত দিয়া অংকিতৰ উদ্বৃত্ত মিলন পত্ৰ চোৱা। অংকিতৰ উদ্বৃত্ত মিলন প্ৰত্ৰত 2004 ৰ এপ্ৰিলৰ 1 তাৰিখে 10% সুদত লোৱা দীৰ্ঘম্যাদী ঋণটোৰ সুদ 500 টকা (5,000 টকা x $\frac{10}{100}$)। এই সুদখিনি ক্ৰয়-বিক্ৰয় আৰু লাভ-লোকচান হিচাপৰ ডেবিট পক্ষত দেখুওৱা হৈছে ( অংক 9.6]¼

অংকিতৰ ক্ৰয়-বিক্ৰয় আৰু লাভ লোকচান হিচাপ

2005 চনৰ 31 মাৰ্চত অন্তপৰা বছৰটোৰ বাবে

ডেঃ ক্ৰেঃ

| ব্যয়/লোকচান | পৰিমাণ (টকা) | আয়/লাভ | পৰিমাণ (টকা) |
|---|---|---|---|
| ক্ৰয় | 75,000 | বিক্ৰী | 1,25,000 |
| মজুৰি | 8,000 | সামৰণী মজুত পণ্য | 15,000 |
| মুঠ লাভ | 57,000 | | |
| | 1,40,000 | | 1,40,000 |
| দৰমহা | 25,000 | মুঠ লাভ | 57,000 |
| ভৱনৰ ভাড়া | 13,000 | প্ৰাপ্ত দস্তুৰি | 5,000 |
| অনুদ্ধাৰণীয় ঋণ | 4,500 | | |
| **সুদ** | **500** | | |
| **প্ৰকৃত লাভ (মূলধন হিচাপলৈ স্থানান্তৰ)** | **19,000** | | |
| | 62,000 | | 62,000 |

Fig 9.6 ত লাভৰ ওপৰত সুদৰ হিচাপৰ ব্যৱস্থা দেখুওৱা হৈছে।

কাৰ্যকৰী লাভ হ'ব ঃ

কাৰ্যকৰী লাভ = প্ৰকৃত লাভ + অকাৰ্যকৰী ব্যয় - অকাৰ্যকৰী আয়

= 19,000 টকা + 500 টকা - শূণ্য

= 19,500 টকা

**কি বুজিলা চোৱা - 2**

তলত দিয়া প্ৰশ্নসমূহৰ শুদ্ধ উত্তৰটো বাছি উলিওৱা ঃ

1) বিত্তীয় বিবৃতিসমূহ গঠিত হয় ঃ

i) উদ্বৃত্ত মিলন প্ৰত্ৰ

ii) লাভ-লোকচান হিচাপ

iii) উদ্বৃত্ত পত্ৰ

iv) (i) আৰু (iii)

v) (ii) আৰু (iv)

2) লাভ-লোকচান হিচাপৰ পৰা তলত দিয়া লাভবোৰ নিৰ্দ্ধাৰণৰ শুদ্ধ একাদিক্ৰমটো বাছি উলিওৱা ঃ

i) কাৰ্যকৰী লাভ, প্ৰকৃত লাভ, মুঠ লাভ

ii) কাৰ্যকৰী লাভ, মুঠ লাভ, প্ৰকৃত লাভ

iii) মুঠ লাভ, কাৰ্যকৰী লাভ, প্ৰকৃত লাভ

iv) মুঠ লাভ, প্ৰকৃত লাভ, কাৰ্যকৰী লাভ

3) কাৰ্যকৰী লাভ নিৰ্দ্ধাৰণত তলত দিয়াবিলাক হিচাপত ধৰা নহয় ঃ

i) স্বাভাবিক লেনদেন

ii) অস্বাভাৱিক বিষয়

iii) শুদ্ধ বিত্তীয় প্ৰকৃতিৰ বিষয়

iv) (i) আৰু (iii)

v) (i) আৰু (iii)

4) তলত দিয়াবোৰৰ কোনটো শুদ্ধ ঃ

i) কাৰ্যকৰী লাভ = প্ৰকৃতলাভ - অকাৰ্যকৰী ব্যয় - অকাৰ্যকৰী আয়

ii) কাৰ্যকৰী লাভ = প্ৰকৃত লাভ + অকাৰ্যকৰী ব্যয় + অকাৰ্যকৰী আয়

iii) কাৰ্যকৰী লাভ = প্ৰকৃত লাভ + অকাৰ্যকৰী ব্যয় - অকাৰ্যকৰী আয়

iv) কাৰ্যকৰী লাভ = প্ৰকৃত লাভ - অকাৰ্যকৰী ব্যয় + অকাৰ্যকৰী আয়

উদাহৰণ -7

এজন ব্যৱসায়ীৰ হিচাপ বহীৰ পৰা তলত দিয়া উদ্বৃত্তবোৰ লোৱা হ'ল। উক্ত উদ্বৃত্তবোৰৰ পৰা 2005 চনৰ 31 মাৰ্চত অন্তপৰা বছৰটোৰ বাবে মুঠ লাভ আৰু প্ৰকৃত লাভ নিৰ্ণয় কৰা।

| **বিৱৰণ** | **পৰিমাণ (টকা)** |
|---|---|
| বিক্ৰী | 75,250 |
| ক্ৰয় | 32,250 |
| আৰম্ভণী মজুত পণ্য | 7,600 |
| বিক্ৰী ফিৰৎ | 1,250 |
| ক্ৰয় ফিৰৎ | 250 |
| ভাড়া | 300 |
| মনোহাৰী আৰু ছপা | 250 |
| দৰমহা | 3,000 |
| সানমিহলি ব্যয় | 200 |
| ভ্ৰমণ ব্যয় | 500 |
| বিজ্ঞাপন | 1800 |
| দস্তুৰি পৰিশোধ | 150 |
| কাৰ্যালয় ব্যয় | 1600 |
| মজুৰি | 2600 |
| বিনিয়োগ বিক্ৰীৰ পৰা হোৱা লাভ | 500 |
| অবক্ষয় | 800 |
| প্ৰাপ্তি লাভ্যাংশ | 2500 |
| পুৰণি আচবাব বিক্ৰীৰ পৰা হোৱা লোকচান | 300 |

সামৰণী মজুত পণ্য (2005 চনৰ 31মাৰ্চ) 8,000 টকাত মূল্যায়ণ কৰা হ'ল।

সমাধান ঃ

ক্রয়- বিক্রয় আৰু লাভ-লোকচান হিচাপ 2005 চনৰ 31 মাৰ্চত অন্তপৰা বছৰটোৰ বাবে

ডেঃ ক্ৰেঃ

| ব্যয়/লোকচান | পৰিমাণ (টকা) | আয়/লাভ | পৰিমাণ (টকা) |
|---|---|---|---|
| আৰম্ভণী মজুত পণ্য | 7,600 | বিক্ৰী 75,250 | |
| ক্ৰয় 32,250 | | বাদ ঃ বিক্ৰী ফিৰৎ (1250) | 74,000 |
| বাদ ক্ৰয় ফিৰৎ (250) | 32,000 | সামৰণী মজুত পণ্য | 8,000 |
| মজুৰি | 2,600 | | |
| **মুঠ লাভ** | **39,800** | | |
| | 82,000 | | 82,000 |
| ভাড়া | 300 | মুঠ লাভ | 39,800 |
| মনোহাৰী অৰু ছপা | 250 | | |
| দৰমহা | 3000 | | |
| সানমিহলি ব্যয় | 200 | | |
| ভ্ৰমণ ব্যয় | 500 | | |
| বিজ্ঞাপন ব্যয় | 18,00 | | |
| দস্তুৰি পৰিশোধ | 150 | | |
| কৰ্যালয় ব্যয় | 1600 | | |
| অৱক্ষয় | 800 | | |
| **কাৰ্যকৰী লাভ** | **31,200** | | |
| | 39,800 | | 39,800 |
| পুৰণি আচবাব বিক্ৰীৰ পৰা হোৱা লোকচান | 300 | কাৰ্যকাৰী লাভ | **31,200** |
| **প্ৰকৃত লাভ ( মূলধন হিচাপলৈ স্থানান্তৰ)** | 33,900 | বিনিয়োগ বিক্ৰীৰ পৰা হোৱা লাভ | 500 |
| | | প্ৰাপ্তি লাভাংশ | 2,500 |
| | 34,200 | | 34,200 |

## 9.6 **উদ্বৃত্ত পত্ৰ** (Balance Sheet)

উদ্বৃত্ত পত্ৰ খন ব্যৱসায়টোৰ এটা নিৰ্দিষ্ট দিনত পৰিসম্পদ আৰু দেনাসমূহ সংক্ষিপ্ত ৰূপত দেখুৱাবলৈ প্ৰস্তুত কৰা এটা বিবৃতি। পৰিসম্পদে ডেবিট উদ্বৃত্ত আৰু দেনাই (মূলধন সাহিত্য) ক্ৰেডিট উদ্বৃত্ত দেখুৱায়। ইয়াক ক্ৰয় বিক্ৰয় আৰু লাভলোকচান হিচাপ প্ৰস্তুত কৰাৰ পিছত হিচাপ বৰ্ষৰ শেষত প্ৰস্তুত কৰা হয়। ইয়াক উদ্বৃত্ত পত্ৰ এইবাবেই কোৱা হয় যে ক্ৰয় বিক্ৰয় আৰু লাভ-লোকচান হিচাপত স্থানান্তৰ নকৰা খতিয়ন হিচাপৰ উদ্বৃত্তসমূহ ইয়াত দেখুওৱা হয় আৰু অহা বছৰলৈ কিছুমান আৰম্ভণি জাবেদা প্ৰবিষ্টিৰ দ্বাৰা পিছৰ বছৰলৈ স্থানান্তৰিত কৰা হয়।

### *9.6.1 **উদ্বৃত্ত পত্ৰ প্ৰস্তুত কৰাৰ নিয়ম** (Preparing Balance Sheet)*

উদ্বৃত্ত পত্ৰত সকলো ধৰণৰ পৰিসম্পদ হিচাপ, দেনা আৰু মূলধন সম্পৰ্কে বৰ্ণনা কৰা হয়। মূলধন হিচাপ আৰু দেনা উদ্বৃত্ত পত্ৰত বাওফালে বিশ্লেষণ কৰা হয় যাক দেনা বোলা হয়। সম্পত্তি আৰু অন্যান্য খৰচ শিতানৰ ৰাহি উদ্বৃত্ত পত্ৰত সোফালে বিশ্লেষণ কৰা হয়, যাক সম্পত্তি বোলে। একক স্বত্বাধীকাৰী আৰু যৌথ স্বত্বাধীকাৰী ব্যৱসায়ৰ বাবে উদ্বৃত্ত পত্ৰৰ কোনো নিৰ্দিষ্ট সজ্জাপত্ৰ (প্ৰৰূপ) নাই। যি নহওক কোম্পানী অধিনিয়ম ১৯৫৬ চনৰ মতে তালিকা চাৰি, দফা একৰ সম্পত্তি আৰু দেনা নিৰ্দিষ্ট সজ্জা আৰু নিৰ্দেশ ক্ৰমানুসাৰে লিপিবদ্ধ কৰা আছে। Fig 9.7 ত উদ্বৃত্ত পত্ৰৰ সাধাৰণ সজ্জাৰ নমুনা দেখুওৱা হৈছে।

| দেনা | টকাৰ পৰিমাণ | সম্পত্তি | টকাৰ পৰিমাণ |
|---|---|---|---|
| মূলধন | | আচবাব | ..... |
| যোগ: লাভ .... | ..... | নগদধন | ..... |
| দীৰ্ঘকালীন ঋণ | ..... | বেংক | ..... |
| হ্ৰস্বকালীন ঋণ | | সুনাম | ..... |
| বিভিন্ন পাওনাদাৰ | | বিভিন্ন দেনাদাৰ | ..... |
| প্ৰদেয় বিল | | সামৰণী মজুত পণ্য | ..... |
| বেংকঅধিবিকৰ্ষ | | ভুমি আৰু ভৱন | ..... |

**চিত্ৰ 9.7** *উদ্বৃত্ত পত্ৰৰ নমুনা*

উদাহৰণ -1 ক লৈ আমি যাও- তুমি লক্ষ্য কৰা, অঙ্কিতে বৰ্ণনা কৰা 14টা ৰাহিৰ তালিকাৰ ভিতৰত 7টা হিচাব বহী ব্যৱসায় লাভ আৰু লোকচান হিচাপ বহীলৈ পৰিবৰ্ত্তন কৰিছে (চিত্ৰ 9.1)। এই হিচাব বহীকেইটা আয় আৰু ব্যয়ৰ। Fig 9.3 ৰ বিশ্লেষণ মতে ব্যৱসায়ত মুঠ 1,25,500 টকা ব্যয় কৰি মুঠ 1,30,000 টকা উপাৰ্জন কৰি 4,500 টকা লাভ কৰে। বাকী থকা ৰাহিৰ তালিকাৰ 7 বিধ বস্তু মূলধন, সম্পত্তি আৰু দেনাৰ অন্তৰ্গত হ'ব। ৰাহিৰ তলত অঙ্কিতৰ ৰাহিৰ তালিকাখন পুনৰ দৰ্শোৱা হৈছে যে যাৰ অধ্যয়নে অঙ্কিতৰ হিচাপ বহীত কেনেকৈ সম্পত্তি দেনা উদ্বৃত্ত পত্ৰত স্থান লাভ কৰিলে।

অঙ্কিতৰ উদ্বৃত্ত মিলন পত্ৰ
31 মাৰ্চ, 2005 তাৰিখত

| হিচাপৰ নাম | খঃ পৃঃ | ডেবিট (টকা) | ক্রেডিট (টকা) |
|---|---|---|---|
| **নগদ ধন** | | **1000** | |
| **মূলধন** | | | **12,000** |
| **বেঙ্ক** | | **5,000** | |
| বিক্ৰী | | | 1,25,000 |
| মজুৰি | | 8,000 | |
| **পাওনাদাৰ** | | | **15,000** |
| বেতন | | 25,000 | |
| **10% দীৰ্ঘকালীন ঋণ (1এপ্ৰিল 2004 ৰ পৰা)** | | | **5,000** |
| **আচবাব** | | **15,000** | |
| দস্তুৰি | | | 5,000 |
| ঘৰ ভাড়া | | 13,000 | |
| **দেনাদাৰ** | | | **15,500** |
| অনুদ্ধাৰণীয় ঋণ | | 4,500 | |
| ক্রয় | | 75,000 | |
| | | 1,62,000 | 1,62,000 |

**Fig 9.8** *অঙ্কিতৰ সম্পত্তি আৰু দেনাৰ উদ্বৃত্ত মিলন পত্ৰ দেখুওৱা হৈছে।*

অঙ্কিতৰ উদ্বৃত্ত পত্ৰ

2005 চনৰ 31 মাৰ্চত

| দেনা | টকাৰ পৰিমাণ | সম্পত্তি | টকাৰ পৰিমাণ |
|---|---|---|---|
| মূলধন 12,000 | | আচবাব | 15,000 |
| লাভ যোগ 4,500 | 16,500 | নগদ ধন | 1,000 |
| 10% দীৰ্ঘকালীন ঋণ | 5,000 | বেঙ্ক | 5,000 |
| পাওনাদাৰ | 15,000 | দেনাদাৰ | 15,500 |
| | 36,500 | | 36,500 |

Fig 9.9 ত অঙ্কিতৰ উদ্বৃত্ত পত্ৰ দেখুওৱা হৈছে

### *9.6.2 **উদ্বৃত্ত পত্ৰৰ প্ৰাসঙ্গিক বিষয় বা পদ** (Relevant Items in the Balance sheet)*

উদ্বৃত্ত পত্ৰৰ লগত জড়িত বিষয়সমূহ তলত বৰ্ণনা কৰা হ'ল—

(1) ***চলিত সম্পদ** (Current Assets)* ঃ চলিত সম্পদ হৈছে এনেকুৱা পৰিসম্পত্তি যাক নগদধনৰ ৰূপত অথবা এবছৰৰ ভিতৰত নগদ ধনলৈ পৰিবৰ্ত্তিত কৰিব পৰা যায়। এনেকুৱা পৰিসম্পত্তিৰ উদাহৰণ যেনে হাতত থকা নগদধন/বেঙ্ক জমা, প্ৰাপ্য বিল, কেচা সামগ্ৰীৰ মজুত, অৰ্ধ নিৰ্মাণ বস্তু আৰু পূৰ্ণ নিৰ্মাণ বস্তু, বিভিন্ন জমাকৰ্ত্তা, হ্ৰস্বকালীন বিনিয়োগ, দীৰ্ঘকালীন বিনিয়োগ, আগতীয়া খৰচ আদায় ইত্যাদি।

(2) ***চলিত দেনা** (Current Liabilities)* ঃ চলিত দেনা হৈছে এনেকুৱা দেনা যিবোৰ এবছৰৰ ভিতৰত ঘূৰাই দিব বুলি আশা কৰিব পাৰি আৰু যিবোৰ চলিত সম্পদৰ পৰা আদায় দিয়া হয়।

(3) ***স্থায়ী সম্পত্তি** (Fixed Assets)*ঃ স্থায়ী সম্পত্তি এনেকুৱা সম্পত্তি যিবিলাক প্ৰতিষ্ঠানটোৱে ব্যৱসায়িক কাৰ্যৰ বাবে দীৰ্ঘ সময়ৰ বাবে ব্যৱহাৰ কৰাৰ বাবে লাভ কৰে। এইবিধ সম্পত্তি পুনৰ বিক্ৰী কৰাৰ বাবে ক্ৰয় কৰা নহয় যেনে মাটি, ঘৰ, কাৰখানা ঘৰ আৰু যন্ত্ৰপাতি আচবাব আৰু সা-সৰঞ্জাম ইত্যাদি। কোনো কোনো সময়ত "স্থিৰ সম্পত্তি' বা স্থায়ী 'মূলধন" ইয়াৰ ভিতৰত পৰে।

(4) ***অস্পৰ্শনীয় সম্পদ** (Intangible Assets)*ঃ এই বিধ সম্পদ দেখিবলৈও পোৱা নাযায় আৰু স্পৰ্শ কৰিবও পৰা নাযায়। সুনাম, কৃতিস্বত্ব আৰু বাণিজ্য চিহ্ন আদি এইবিলাক অস্পৰ্শনীয় সম্পত্তিৰ উদাহৰণ।

(5) ***বিনিয়োগ*** *(Investment)* ঃ চৰকাৰী প্ৰত্যাভূতিত আৰু কোম্পানীৰ অংশীদাৰী ধন নিয়োগ কৰাকে বিনিয়োগ বোলা হয়।

(6) ***দীৰ্ঘম্যাদী দেনা*** *(Long-term Liabilities)* ঃ যি বিলাক দেনা চলন্ত নহয় সেই দেনা বিলাকক দীৰ্ঘম্যাদী দেনা বোলে। উদ্বৃত্ত পত্ৰত এই দেনাৰ পৰিশোধ সাধাৰণতে এবছৰৰ পিচতহে দিয়া হয়। দীৰ্ঘকালীন দায়িত্বৰ গুৰুত্বপূৰ্ণ চৰ্ত হ'ল বেঙ্ক বা অন্য বিত্তীয় প্ৰতিষ্ঠানৰ পৰা লোৱা দীৰ্ঘম্যাদী ঋণ।

(7) ***মূলধন*** *(Capital)* ঃ মূলধন হৈছে বহিৰাগতৰ কাৰণে দেনাতকৈ সম্পত্তিৰ অতিৰিক্তখিনি। ই মালিক অথবা অংশীদাৰ ব্যৱসায়ত যোগান ধৰা ধনক প্ৰতিনিধিত্ব কৰে যিয়ে লাভ আৰু সুদৰ দ্বাৰা মূলধন বৃদ্ধি কৰে আৰু লোকচান আৰু সুদ আদায় দিয়াৰ বাবে মূলধন হ্ৰাস হয়।

(8) ***আহৰণ*** *(Drawings)* ঃ স্বত্বাধিকাৰীৰ দ্বাৰা ধন উলিওৱা কাৰ্যক আহৰণ বোলে যি মূলধন হিচাপত হ্ৰাস কৰে। সেইবাবে মূলধন হিচাপলৈ ৰাহিধন ৰূপান্তৰকৰণৰ দ্বাৰা আহৰণ হিচাব বন্ধ কৰা হয়। সি যি নহওক উদ্বৃত্ত পত্ৰত মূলধনৰপৰা এই আহৰণ বাদ দি প্ৰদৰ্শিত কৰা হয়।

### *9.6.3* ***সম্পত্তি আৰু দেনা সজোৱাৰ নিয়ম আৰু দলবদ্ধকৰণ*** *(Marshalling and grouping of Assets and Liabilities)*

হিচাপকৰণৰ এক মুখ্য কাম হ'ল বিত্তীয় বিবৃতি প্ৰস্তুত কৰা আৰু দাখিল কৰা। উপভোক্তাক উপযুক্ত সিদ্ধান্ত লোৱাৰ ক্ষেত্ৰত তথ্যৰ যোগানে যথেষ্ট প্ৰভাৱিত কৰে। সেইবাবে একবিশেষ নিৰ্দেশানুসাৰে উদ্বৃত্ত পত্ৰত উপযুক্ত ধৰণে সমূহীকৰণক উদ্বৃত্ত কৰিব লাগে।

***সম্পত্তি আৰু দেনা সজোৱাৰ নিয়ম*** *(Marshalling of Assets and Liabilities)*

সম্পত্তি আৰু দেনা সজোৱাৰ নিয়ম নগদ ধনলৈ ৰূপান্তৰ কৰিব পৰা অৱস্থা অথবা স্থায়ীত্ব ভাবে উদ্বৃত্ত পত্ৰত নিৰ্দেশানুসাৰে স্থাপিত কৰা হয়। সম্পত্তি আৰু দেনা সজোৱাৰ নিয়ম এনেকুৱা সুসংঘবদ্ধ সজ্জাকে সম্পত্তি আৰু দেনাক সজোৱাৰ নিয়ম হিচাপে জনা যায়।

উদ্বৃত্ত পত্ৰত অতি স্থায়ী আৰু দেনাক ওপৰত ৰখা হয় আৰু তাৰপিচৰ বিলাক নিম্নগামী মান অনুসাৰে স্থাপিতকৰণ কৰা হয়।

অঙ্কিতৰ উদ্বৃত পত্ৰত তুমি আচবাবক স্থায়ী হিচাপে পাবা। বেঙ্ক দেনাদাৰকাৰী আৰু নগদ

ধনৰ দেনাদাৰকাৰীৰ ভিতৰত পুনৰ নগদ ধনলৈ পৰিবৰ্ত্তন কৰিবলৈ দেনাদাৰকাৰীক যথেষ্ট সময়ৰ প্ৰয়োজন হয়। বেঙ্ক নগদ ধনতকৈ কম তৰল। নগদধন ভিতৰত আতাইতকৈ তৰল। সেইদৰে দেনাৰ ফালৰপৰা বিত্ত গুৰুত্বপূৰ্ণ উৎস প্ৰবণতাযুক্ত অৱশিষ্ট ব্যৱসায়ৰ বাবে দীৰ্ঘকাল সময়তকৈ দীৰ্ঘকালীন ঋণহে নিকট ভৱিষ্যতে ঋণদাতা তৰল দায়িত্বৰ পৰা মুক্ত পায়। অঙ্কিতৰ উদ্বৃত্ত পত্ৰক দায়িত্বৰ ক্ৰম অনুসৰি Fig 9.10 (b) ত বৰ্ণনা কৰা হৈছে।

2005 চনৰ 31 মাৰ্চৰ অঙ্কিতৰ উদ্বৃত্ত পত্ৰ (স্থায়িত্বৰ ক্ৰমৰ ভিত্তিত)

| দায়িত্ব | | পৰিমাণ (টকা) | সম্পত্তি | পৰিমাণ (টকা) |
|---|---|---|---|---|
| মূলধন | 12,000 | | আচবাব | 15,000 |
| লাভৰ জমা | 4,500 | 16,500 | দেনাদাৰ | 15,000 |
| 10% দীৰ্ঘকালীন ঋণ | | 5,000 | বেংক | 5,000 |
| পাওনাদাৰ | | 15,000 | নগদ ধন | 1,000 |
| | | 36,500 | | 36,500 |

**চিত্ৰ 9.10 (a) ঃ** *উদ্বৃত্ত পত্ৰত বিষয়সমূহ স্থায়িত্বৰ ক্ৰমৰ ভিত্তিত সজোৱা হৈছে।*

তৰলতাৰ ক্ৰম অনুসাৰে ইয়াৰ বিপৰীতমুখী হয়। এই বিধিমতে প্ৰস্তুত তথ্যই প্ৰয়োগকৰ্ত্তাৰ বিভিন্ন হিচাপৰ জীৱনৰ কাৰণে সুধাৰণাৰ যোগ্যতা তৈয়াৰ কৰে। এই সম্বন্ধিত স্থায়ী প্ৰকৃতি সম্পত্তিৰ হিচাপৰ ব্যৱসায়ত সুদীৰ্ঘ সময়লৈকে জড়িত থাকে বা কম মাত্ৰাৰ স্থায়ী অথবা অধিক তৰলীয় হিচাপৰ নিজস্ব আকাৰক নিকট ভৱিষ্যত বদলাই দিয়ে। ইয়াক নগদ ধনৰ ৰূপ প্ৰদান কৰে অথবা নগদ ধনৰ সমকক্ষ হৈ যায়।

অঙ্কিতৰ উদ্বৃত্ত পত্ৰক Fig 9.10 (b) : ত তৰলীয় ক্ৰমত ৰখা হৈছে।

2005 চনৰ 31 মাৰ্চত অঙ্কিতৰ উদ্বৃত্ত পত্ৰ (তাৰল্যৰ ক্ৰমানুসাৰে)

| দেনা | পৰিমাণ (টকা) | সম্পত্তি | পৰিমাণ (টকা) |
|---|---|---|---|
| পাওনাদাৰ | 15,000 | নগদ | 1,000 |
| শতকৰা 10 টকা হিচাপে দীৰ্ঘকালীন ঋণ | 5,000 | বেঙ্ক | 5,000 |
| মূলধন 12,000 | | দেনাদাৰ | 15,000 |
| জমা লাভ 4,500 | 16,500 | আচবাব | 15,000 |
| | 36,500 | | 36,500 |

**চিত্ৰ 9.10 (b)** *তাৰল্যৰ ক্ৰমানুসাৰে উদ্বৃত্ত পত্ৰৰ নিৰ্মাণৰ নমুনা*

***সম্পদ আৰু দেনাৰ সমূহীকৰণ (Grouping of Assets and Liabilities)***

উদ্বৃত্ত পত্ৰত প্ৰদৰ্শিত সামগ্ৰীবোৰক সমূহীকৰণও কৰিব পৰা যায়। সমূহীকৰণ মানে হ'ল একে প্ৰকৃতিৰ সামগ্ৰীসমূহক এক শীৰ্ষৰূপত অন্তৰ্ভুক্ত কৰা। উদাহৰণস্বৰূপে নগদ ধন, বেঙ্ক, আৰু দেনাদাৰ আদিৰ উদ্বৃত্ত হিচাপ আদি সমষ্টিগত চলিত সম্পত্তি শীৰ্ষকৰ অন্তৰ্ভুক্ত আৰু সকলো স্থায়ী সম্পত্তি আৰু দীৰ্ঘকালীন বিনিয়োগ অচলিত সম্পত্তি শীৰ্ষকৰ অন্তৰ্ভুক্ত।

2005 চনৰ 31 মাৰ্চৰ অঙ্কিতৰ উদ্বৃত্ত পত্ৰ
(স্থায়িত্বৰ ক্ৰমানুসাৰে)

| দেনা | পৰিমাণ (টকা) | সম্পত্তি | পৰিমাণ (টকা) |
|---|---|---|---|
| মালিকৰ পুঁজি | | অনাচলিত সম্পত্তি | |
| মূলধন 12,000 | | আচবাব | 15,000 |
| লাভৰ যোগ 4,500 | 16,500 | চলিত সম্পত্তি | |
| অনাচলিত দেনা | | দেনাদাৰ | 15,000 |
| চলিত দেনা | | বেঙ্ক | 5,000 |
| দীৰ্ঘকালীন ঋণ | 5,000 | নগদ ধন | 1,000 |
| পাওনাদাৰ | 15,000 | | |
| | 36,500 | | 36,500 |

***Fig 9.10 (c)*** *দেনা আৰু সম্পত্তিক যুক্তিপূৰ্ণ সজ্জাত দেখুওৱা হৈছে।*

**তুমি নিজে কৰা**

তলত উল্লেখ কৰা পদসমূহ স্থায়িত্বৰ ক্ৰমানুসাৰে আৰু তৰলতাৰ ক্ৰমানুসাৰে একাদিক্ৰমে সজোৱা। লগতে যুক্তিপূৰ্ণতাৰে বিভাজিত কৰি দলবদ্ধ কৰা ঃ

| দেনা | সম্পদ |
|---|---|
| দীৰ্ঘকালীন ঋণ | ভৱন |
| বেঙ্কৰ অধিবিকৰ্ষ | হাতে জমা নগদধন |
| প্ৰদেয় বিল | বেঙ্কত জমা নগদ ধন |
| মালিকনাৰ অংশ | প্ৰাপ্য বিল |
| হ্ৰস্বকালীন ঋণ | বিভিন্ন দেনাদাৰ |
| বিভিন্ন পাওনাদাৰ | ভূমি |
| | প্ৰস্তুত দ্ৰব্য |
| | অৰ্ধ সমাপ্ত পণ্য |
| | কেঁচামাল |

উদাহৰণ -৪ তলত উল্লেখ কৰা তথ্য সমূহৰ আধাৰত 2006 চনৰ 31 মাৰ্চ তাৰিখত শেষ হোৱা বছৰটোৰ ব্যৱসায়িক লাভ লোকচানৰ হিচাপ প্ৰস্তুত কৰা।

| হিচাপৰ নাম | পৰিমাণ (টকা) | হিচাপৰ নাম | পৰিমাণ (টকা) |
|---|---|---|---|
| ক্ৰয়জনিত পৰিবহন | 8,000 | হাতেজমা | 2,500 |
| বিক্ৰয় জনিত পৰিবহন | | বেঙ্ক অধিবিকৰ্ষ | 30,000 |
| | 3,500 | মটৰ গাড়ী | 60,000 |
| উৎপাদন ব্যয় | 42,000 | আহৰণ | 8,000 |
| বিজ্ঞাপন | 7,000 | হিচাব পৰীক্ষকৰ মাচুল | 27,00 |
| উৎপাদন শুল্ক | 6,000 | কাৰখানা | 1,53,900 |
| কাৰাখানাৰ বিজুলী | 4,400 | কাৰখানা মেৰামতি | 2,200 |
| দেনাদাৰ | 80,000 | সামৰণী মজুত পণ্য | 76,000 |
| পাওনাদাৰ | 61,000 | ক্ৰয় ফিৰৎ বাদদি | 1,60,000 |
| বন্দৰ আৰু মুকলি ভৰণি | 5,200 | ক্ৰয়ৰ দস্তুৰি | 2,000 |
| | | প্ৰাসঙ্গিক ব্যৱসায়িক ব্যয় | 3,200 |
| ডাক আৰু তাৰ | 800 | বিনিয়োগ | 30,000 |
| অগ্নিবীমা কিস্তি | 3,600 | বিনিয়োগৰ পৰা সুদ | 4,500 |
| | | মূলধন | 1,00,000 |
| কৃতিস্বত্ব | 12, 000 | বিক্ৰী ফিৰৎ বাদ দি | 5,20,000 |
| আয়কৰ | 24,000 | বিক্ৰীকৰ পৰিশোধ | 12,000 |
| কাৰ্যালয় ব্যয় | 7,200 | প্ৰদত্ত বাট্টা | 2,700 |
| | | ক্ৰয় বাট্টা | 3,400 |

## ক্রয়-বিক্রয় লাভ আৰু লোকচানৰ হিচাব
## 31 মার্চ 2006 তাৰিখত অন্ত হোৱা বছৰটো

ডেঃ ক্ৰেঃ

| খৰচ/ক্ষতি | পৰিমাণ (টকা) | ৰাজহ/অৰ্জন বা লাভ | পৰিমাণ (টকা) |
|---|---|---|---|
| ক্রয় বাদ ফিৰৎ | 1,60,000 | বিক্রয় বাদ ফিৰৎ | 5,20,000 |
| ক্রয় দস্তুৰি | 2,000 | | |
| ক্রয়জনিত পৰিবহন | 8,000 | | |
| উৎপাদন ব্যয় | 42,000 | | |
| কাৰখানাৰ বিজুলি | 4,400 | | |
| বন্দৰ আৰু মুকলি ভৰণি | 5,200 | | |
| মুঠ লাভ | 2,98,400 | | |
| | 5,20,000 | | 5,20,000 |
| বিক্রয়জনিত পৰিবহন | 3,500 | মুঠ লাভ | 2,98,400 |
| বিজ্ঞাপন | 7,000 | বিনিয়োগৰ ওপৰত সূদ | 4,500 |
| উৎপাদন শুল্ক | 6.000 | ক্রয় বাট্টা | 3,400 |
| ডাক আৰু তাৰ | 800 | | |
| অগ্নিবীমা কিস্তি | 3,600 | | |
| কার্যালয় খৰচ | 7,200 | | |
| হিচাপপৰীক্ষকৰ মাচুল | 2,700 | | |
| কাৰখানা মেৰামতি | 2,200 | | |
| প্রাসঙ্গিক ব্যৱসায়িক ব্যয় | 3,200 | | |
| বিক্রীকৰ পৰিশোধ | 12,000 | | |
| প্রদত্ত ৰেহাই | 2,700 | | |
| প্রকৃত লাভ (মূলধন হিচাবলৈ হস্তান্তৰিত) | 2,55,400 | | |
| | **3,06,300** | | **3,06,300** |

## সামৰণি উদ্বৃত্ত পত্ৰ

**31 মাৰ্চ 2006 চনৰ**

| দেনা | | টকাৰ পৰিমাণ | সম্পত্তি | টকাৰ পৰিমাণ |
|---|---|---|---|---|
| বেঙ্ক অধিবিকৰ্ষ | | 30,000 | হাতে জমা | 2,500 |
| পাওনাদাৰ | | 61,000 | দেনাদাৰ | 80,000 |
| মূলধন | 1,00,000 | | সামৰণী মজুত পণ্য | 76,000 |
| প্ৰকৃত লাভযোগ | 2,55,400 | | বিনিয়োগ | 30,000 |
| | 3,55,400 | | মটৰগাড়ী | 60,000 |
| বাদ, আহৰণ | (8,000) | | কাৰখানা | 1,53,900 |
| | 3,47,400 | | | |
| বাদ, আয়কৰ | (24,000) | 3,23,400 | কৃতিস্বত্ব | 12,000 |
| | | 4,14,400 | | 4,14,400 |

**উদাহৰণ** -9

তলত উল্লেখ কৰা তথ্য সমূহৰ আধাৰত 31 মাৰ্চ, 2006 চনৰ বছৰটোৰ বাবে ক্ৰয়-বিক্ৰয় আৰু লাভ লোকচানৰ হিচাপ তথা উদ্বৃত্ত পত্ৰ প্ৰস্তুত কৰা।

| হিচাপৰ নাম | টকাৰ পৰিমাণ | হিচাপৰ নাম | টকাৰ পৰিমাণ |
|---|---|---|---|
| আৰম্ভণী মজুত পণ্য | 15,310 | মূলধন | 2,50,000 |
| ক্ৰয় | 82,400 | আহৰণ | 48,000 |
| বিক্ৰী | 2,56,00 | বিভিন্ন দেনাদাৰ | 57,000 |
| ক্ৰয় ফিৰৎ | 4,000 | বিভিন্ন পাওনাদাৰ | 12,000 |
| বিক্ৰয় ফিৰৎ | 2,400 | অবক্ষয় | 200 |
| কাৰখানা ভাড়া | 18,000 | দান | 500 |
| বাণিজ্যিক শুল্ক | 11,500 | নগদ ধন | 4,460 |
| কয়লা, গেছ আৰু বিজুলী | 6,000 | বেংক জমা | 4,000 |
| মজুৰি আৰু দৰমহা | 36,600 | বেংক ভৰণি | 180 |
| ৰেহাই (ডেঃ) | 7,500 | প্ৰতিষ্ঠা খৰচ | 3,600 |
| দস্তুৰি (ক্ৰেঃ) | 1,200 | কাৰখানা | 42,000 |
| অনুদ্ধাৰণীয় ঋণ | 5,850 | লীজযুক্ত ভৱন | 1,50,000 |
| অনুদ্ধাৰণীয় ঋণ আদায় | 2,000 | বিক্ৰীকৰ সংগ্ৰহ | 2,000 |
| শিক্ষা নবিচীৰ আগধন | 4,800 | সুনাম | 20,000 |
| উৎপাদন ব্যয় | 2,60 | কৃতিস্বত্ব | 10,000 |
| প্ৰশাসনিক ব্যয় | 5,000 | ব্যৱসায়িক চিহ্ন | 5,000 |
| পৰিবহণ | 8,700 | ঋণ (ক্ৰেঃ) | 25,000 |
| | | ঋণৰ সুদ | 3,000 |

31 মাৰ্চ, 2006 চনৰ সামৰণি মজুত মূল্য আছিল 25,400 টকা

সমাধান

ক্রয়-বিক্রয় আৰু লাভ আৰু লোকচানৰ হিচাপৰ বহী
31 মার্চ, 2006 তাৰিখত আন্ত হোৱা বছৰটোৰ

ডেঃ ক্রেঃ

| খৰচ/ক্ষতি | পৰিমাণ (টকা) | ৰাজহ/অর্জন বা লাভ | পৰিমাণ (টকা) |
|---|---|---|---|
| আৰম্ভণী মজুত পণ্য | 15,310 | বিক্রয় 2,56,000 | |
| ক্রয় 82,400 | | ফিৰৎবাদ (4,000) | 2,52,000 |
| বাদ ফিৰৎ (2,400) | 80,000 | | |
| কাৰখানাৰ ভাড়া | 18,000 | সামৰণী মজুত পণ্য | 25,400 |
| বণিজ্যিক শুল্ক | 11,000 | | |
| কয়লা, গেছ আৰু বিজুলী | 6,000 | | |
| মজুৰি আৰু দৰমহা | 36,000 | | |
| উৎপাদন খৰচ | 2,600 | | |
| পৰিবহণ | 8,700 | | |
| মুঠ লাভ, আগলৈ | 99,790 | | |
| | 2,77,400 | | 2,77,400 |
| বাট্টা | 7,500 | মুঠ লাভ, আগৰ পৰা | 99,790 |
| অনুদ্ধাণীয় ঋণ | 5,850 | দস্তুৰি | 1,200 |
| প্রসাশনিক ব্যয় | 5,000 | অনুদ্ধাৰণীয় ঋণ প্রাপ্তি | 2,000 |
| অবক্ষয় | 4,200 | শিক্ষা নবিচীৰ আগধন | 4,800 |
| দান | 500 | | |
| বেংক খৰচ | 180 | | |
| প্রশাসনীয় খৰচ | 3,600 | | |
| ঋণৰ ওপৰত সুদ | 3,000 | | |
| প্রকৃত লাভ ( মূলধন হিচাপ লৈ হস্তান্তৰিত) | 77,960 | | |
| | 1,07,790 | | 1,07,790 |

উদ্বৃত্ত পত্ৰ

31 মাৰ্চ, 2006 তাৰিখত

| দেনা | টকাৰ পৰিমাণ | সম্পত্তি | টকাৰ পৰিমাণ |
|---|---|---|---|
| বিক্ৰীকৰ সংগ্ৰহ | 2,000 | নগদ ধন ৰাহি | 4,460 |
| বিভিন্ন পাওনাদাৰ | 12,000 | বেঙ্ক জমা | 4,000 |
| ঋণ | 25,000 | বিভিন্ন দেনাদাৰ | 57,000 |
| মূলধন 2,50,000 | | সামৰণি মজুত | 25,400 |
| যোগ, প্ৰকৃত লাভ 76,000 | | লীজযুক্ত ভৱন | 1,50,000 |
| 3,26,000 | | কাৰখানা | 42,000 |
| | | কৃতি স্বত্ব | 10,000 |
| বাদ, আহৰণ (48,000) | 2,78,860 | সুনাম | 5,000 |
| | | ব্যবসায়িক চিহ্ন | 20,000 |
| | 3,17,860 | | 3,17,860 |

**9.6.4 উদ্ধৃতপত্ৰৰ আনুভূমিক (Horizontal) আৰু উলম্ব (Vertical)** পদ্ধতি ঃ

বেলেঞ্চশ্বীট বা উদ্ধৃতপত্ৰ হৈছে এটা গুৰুত্বপূৰ্ণ বিত্তীয় বিবৃতি। উদ্ধৃতপত্ৰই এটা নিৰ্দিষ্ট তাৰিখত সংগঠন এটাৰ বিত্তীয় স্থিতিৰ এক সঁচা আৰু ন্যায্য (True and Fair) ছবি প্ৰদৰ্শন কৰে। সেয়েহে, উদ্ধৃতপত্ৰক 'পজিচন ষ্টেটমেণ্ট' (অৱস্থান বিবৃতি) বুলিও কোৱা হয়। এটা বিত্তীয় বৰ্ষৰ ব্যৱসায়ৰ সম্পত্তি আৰু দায়ৱদ্ধতা এখন বেলেঞ্চ শ্বীট বা উদ্ধৃতপত্ৰত অন্তৰ্ভুক্ত হৈ থাকে। দ্বৈত প্ৰৱেশ প্ৰণালী আৰু একাউণ্টিং সমীকৰণ অৰ্থ্যাৎ সম্পদ = মূলধন + দায়ৱদ্ধতাৰ ওপৰত ভিত্তি কৰি বিত্তীয় বৰ্ষৰ শেষত ব্যৱসায় এটাৰ বেলেঞ্চ শ্বিট বা উদ্ধৃতপত্ৰখন মিলোৱা হয়।

এখন উদ্ধৃতপত্ৰত এটা সংগঠনৰ বিভিন্ন সম্পদবোৰ সংশ্লিষ্ট মূল্যৰ সৈতে শ্ৰেণীবদ্ধ ৰূপত দেখুওৱা হয়। ই বিভিন্ন ধৰণৰ সম্পদ যেনে স্থিৰ সম্পদ, চলিত সম্পদ আদিৰ বিষয়ে এক স্পষ্ট ছবি প্ৰদান কৰে। একেদৰে, উদ্ধৃতপত্ৰ এখনত এটা সংগঠনৰ বিভিন্ন ধৰণৰ দায়ৱদ্ধতা শ্ৰেণীবদ্ধ ৰূপত উপস্থাপন কৰা হয়। ইয়াৰ উপৰিও, উদ্ধৃতপত্ৰই এটা বিত্তীয় বৰ্ষৰ শেষত ব্যৱসায়ৰ প্ৰকৃত মূলধনো প্ৰদৰ্শন কৰে। মূলধন হৈছে এটা ব্যৱসায়ৰ দায়ৱদ্ধতাৰ তুলনাত সম্পত্তিৰ অত্যাধিক প্ৰতিনিধিত্ব।

বেলেঞ্চ শ্বিট বা উদ্ধৃতপত্ৰ এখনৰ সম্পত্তি আৰু দায়বদ্ধতা দেখুওৱাৰ দুটা উপায় আছে—

১। আনুভূমিক পদ্ধতি আৰু

২। উলম্ব পদ্ধতি।

একক ব্যৱসায়ীৰ ব্যৱসায় আৰু অংশীদাৰী ব্যৱসায়ৰ ক্ষেত্ৰত, দুটা পদ্ধতিৰ যিকোনো এটা ব্যৱহাৰৰ বাবে কোনো নিৰ্দিষ্ট ব্যৱস্থা নাই। যদিও কোম্পানীৰ ব্যৱসায়ৰ বাবে, কোম্পানী আইন চন্থ্বৰ অধীনত উদ্ধৃতপত্ৰ উলম্ব পদ্ধতিত দেখুওৱাৰ ব্যৱস্থা আছে।

**উদ্ধৃতিপত্ৰৰ আনুভূমিতক পদ্ধতি ঃ**

বেলেঞ্চ শ্বিট বা উদ্ধৃতপত্ৰৰ আনুভূমিতক পদ্ধতিক 'থ' আকৃতিৰ বেলেঞ্চ শ্বিট বুলিও কোৱা হয়। ইয়াৰ দুটা ফাল আছে, বাওঁফাল আৰু সোঁফাল। বেলেঞ্চ শ্বিট বা উদ্ধৃতপত্ৰৰ আনুভূমিক বিন্যাসত সোঁফালে সকলো সম্পত্তি আৰু বাওঁফালে দায়বদ্ধতা (মূলধন আৰু দায়বদ্ধতা) সন্নিবিষ্ট কৰা হয়। উদ্ধৃতপত্ৰৰ সোঁফালৰ অংশক "সম্পদৰ ফাল" বুলি কোৱা হয় আৰু বাওঁফালৰ অংশক "দায়বদ্ধতাৰ ফাল" বুলি কোৱা হয়।

**উদ্ধৃতিপত্ৰৰ উলম্ব পদ্ধতি ঃ**

উদ্ধৃত পত্ৰৰ উলম্ব পদ্ধতিত এটা ব্যৱসায়ৰ সম্পদ আৰু দাবদ্ধতাবোৰক এক নিৰ্দিষ্ট তাৰিখত একক স্তম্ভৰ ৰূপত ওপৰৰ পৰা তললৈ দেখুওৱা হয়। ইয়াত ব্যৱসায়ৰ সম্পদ আৰু দায়বদ্ধতাৰ সৈতে প্ৰয়োজনীয় অনুসূচী আৰু পৰিমাণৰ বাবে পৃথক স্তম্ভ দেখুওৱাৰ ব্যৱস্থা আছে। এই প্ৰকাৰৰ উদ্ধৃতপত্ৰৰ মুখ্য উদ্দেশ্য হৈছে ব্যৱহাৰকাৰীসকলক সম্পদ আৰু দায়বদ্ধতাৰ বিত্তীয় তথ্য, তুলনা আৰু পৰীক্ষা কৰাত সহায় কৰা।

## 9.7 **আৰম্ভণী প্ৰবিষ্টি** (Opening Entry)

উদ্বৃত পত্ৰত থকা বিভিন্ন হিচাপৰ উদ্বৃত্তসমূহ এটা হিচাপ কৰি পৰা আন এটা হিচাপ বৰ্ষলৈ নিব পৰা যায়। বাস্তবত ঃ এটা হিচাপ বৰ্ষৰ উদ্বৃত্ত পত্ৰখন আন এটা বৰ্ষৰ বাবে আৰম্ভণি উদ্বৃত্ত মিলন পত্ৰ হৈ পৰে আগন্তুক বৰ্ষৰ এই আৰম্ভণী প্ৰবিষ্টিৰ দ্বাৰা এই হিচাপ বহী আৰম্ভণীতেই উদ্বৃত্ত পত্ৰলৈ লৈ যোৱা হয়।

Fig 9.10 (C) প্ৰদৰ্শিত উদ্বৃত্ত পত্ৰৰ দ্বাৰা নিম্ন প্ৰকাৰৰ আৰম্ভণী প্ৰবিষ্টি বোৰক লিখিব পৰা যায়।

| | | | |
|---|---|---|---|
| আচবাব হিচাপ | ডেঃ | 15,000 | |
| দেনাদাৰ হিচাপ | ডেঃ | 15,000 | |
| বেঙ্ক হিচাপ | ডেঃ | 5,000 | |
| নগদ হিচাপ | ডেঃ . | 1,000 | |
| মূলধন হিচাপ লৈ | | | 16,500 |
| দীৰ্ঘকালীন ঋণৰ 10% হিচাপলৈ | | | 5,000 |
| পাওনাদাৰ হিচাপ লৈ | | | 15,000 |

### *এই অধ্যায়ত পৰিচয় হোৱা মূল বিষয়সমূহ*
### *(key Terms Introduced in the chapter)*

- উদ্বৃত্ত পত্ৰ
- প্ৰদেয় বিল
- মূলধন
- মূলধন প্ৰাপ্তি
- বৰ্হি পৰিবহণ
- সামৰণী প্ৰবিষ্টি
- চলিত সম্পত্তি
- ক্ৰয় প্ৰত্যাৱৰ্তন
- বিক্ৰী ফিৰৎ
- ৰাজহ ব্যয়
- নগদ-ধন
- কাৰখানাৰ ব্যয়
- স্থায়ী সম্পত্তি
- মুঠ লাভ
- আয়কৰ
- আহৰণৰ ওপৰত সুদ
- প্ৰকৃত লাভ
- কাৰ্য সমাপনৰ আধাৰ
- ৰাজহ প্ৰাপ্তি
- বিক্ৰী
- দলবদ্ধকৰণ আৰু ক্ৰমবদ্ধকৰণ
- বেঙ্ক অধিবিকৰ্ষ
- প্ৰাপ্য বিল
- মূলধনী ব্যয়
- আন্তঃ পৰিবহণ
- নগদ বেঙ্ক মজুত
- সামৰণী মজুত পণ্য
- চলিত দেনা
- ঘৰভাড়া
- ক্ৰয় ফিৰৎ
- অৱক্ষয়
- ব্যৱসায়িক ব্যয়
- বিত্তীয় বিবৃতি
- যাতায়ত খৰচ
- মুঠ লোচকান
- মূলধনৰ ওপৰত সুদ
- প্ৰকৃত লোকচান
- তৰলতাৰ ক্ৰম
- ৰাজহ ব্যয়
- দৰমহা
- বিক্ৰী ফিৰৎ
- বাট্টা প্ৰাপ্তি

### *শিকাৰ উদ্দেশ্যসমূহৰ সাৰাংশ*

1. ***বিত্তীয় বিবৃতি অৰ্থ, উপযোগিতা তথা ইয়াৰ প্ৰকাৰ*** *(Meaning, usefulness and Types of Financial statements)* ঃ উদ্বৃত্ত মিলন পত্ৰৰ সহমতৰ ওপৰত হে ব্যৱসায়িক প্ৰতিষ্ঠানৰ

নিজৰ বিত্তীয় বিৱৰণ প্ৰস্তুত কৰা হয়। বিত্তীয় বিৱৰণ এক এনেকুৱা বিৱৰণ যিয়ে যিকোনো ব্যৱসায়িক প্ৰতিস্থানৰ প্ৰক্ৰিয়াৰ ওপৰত আবৰ্ত্তীয় প্ৰতিবেদন প্ৰস্তুত কৰে তথা আবৰ্ত্তীত সময় বিধিৰ ওপৰত নিজৰ উদ্দেশ্য প্ৰাপ্তিক প্ৰদৰ্শিত কৰে। বিত্তীয় বিৱৰণত বেপাৰৰ লাভ তথা লোকচান উদ্বৃত্ত পত্ৰ আৰু অন্য বিৱৰণৰ সৈতে ব্যাখ্যাত্মক টোকা যিটো ইয়াৰ অংশ। বিত্তীয় প্ৰতিবেদনত ক্ৰয় বিক্ৰয় হিচাপ, লাভ-ক্ষতি হিচাপ, উদ্বৃত্তপত্ৰ আৰু ব্যাখ্যাকাৰী টোকাৰ সৈতে অন্যান্য বিবৰণীসমূহ অন্তৰ্ভুক্ত হৈ থাকে। বিত্তীয় বিৱৰণ পাওনাদাৰ, শ্বেয়াৰ হোল্ডাৰ প্ৰতিস্থানৰ কৰ্মচাৰী সকলৰ বাবেও উপযোগী

2. ***লাভ আৰু লোকচান হিচাপৰ অৰ্থ, আৱশ্যকতা আৰু প্ৰস্তুতকৰণ*** *(Meaning Need and Preparation of Trading and Profit and loss Account)* ঃ লাভ আৰু লোকচান হিচাপ বহীৰ মূখ্যাংশত আৰ্জিত লাভ আৰু ধাৰাবাহিক লোকচানক যিকোনো ব্যৱসায়িক প্ৰতিস্থানৰ দ্বাৰা দিয়া নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত ব্যৱসায়ৰ কাৰ্যকৰণ প্ৰক্ৰিয়াক প্ৰদৰ্শিত কৰে। ব্যৱসায় তথা লাভ আৰু লোকচানৰ হিচাপ বহী প্ৰস্তুত কৰি নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত ব্যৱসায়ৰ কাৰ্যকৰণ প্ৰক্ৰিয়াৰে প্ৰকৃত পৰিণাম উলিওৱাৰ বাবে আৱশ্যক। লাভ বা লোকচানৰ হিচাপ বহীত ৰাজহ ব্যয় আৰু লোকচানৰ অংশক ডেবিট হিচাবে প্ৰদৰ্শন কৰা হয়, আনপিনে অৰ্জন আৰু মুঠলাভৰ অংশক ক্ৰেডিট হিচাবে প্ৰদৰ্শন কৰা হয়। ব্যৱসায়িক ও লাভ আৰু লোকচানৰ হিচাপ বহী প্ৰস্তুত কৰাৰ বাবে শেষ প্ৰৱিষ্টিত ব্যয় আৰু আগম অংশক উদ্বৃত্ত পত্ৰ হিচাপে বহীলৈ হস্তান্তৰিত কৰিবৰ কাৰণে লিপিবদ্ধ কৰা হয়। লাভ আৰু লোকচানৰ হিচাপ বহীৰ দ্বাৰা দেখুওৱা প্ৰকৃত লাভ আৰু প্ৰকৃত লোকচানক মূলধন হিচাবলৈ পৰিৱৰ্তন কৰা হয়।

3. ***উদ্বৃত্ত পত্ৰৰ অৰ্থ, আৱশ্যকতা আৰু ইয়াৰ গঠন*** *(Meaning characteritic Need and structure of the Balance sheet)* ঃ উদ্বৃত্ত পত্ৰ যি কোনো ব্যৱসায়িক প্ৰতিস্থানৰ সম্পত্তি আৰু দেনাৰ প্ৰদৰ্শিত বিৱৰণ য'ত প্ৰতিস্থানটোৰ আৰ্থিক অৱস্থা সম্পৰ্কে ধাৰাবাহিক ভাবে বৰ্ণিত হৈ থাকে। উদ্বৃত্ত পত্ৰ হৈছে চূড়ান্ত হিচাপৰ এটা অংশ। কিন্তু ই হিচাপ বহী নহয়, মাথোন প্ৰতিবেদন হে। সৰ্ব্বমুঠ সম্পত্তি আৰু দেনা উদ্বৃত্ত পত্ৰত সদায় সমান। এই পত্ৰত হিচাপ বহীৰ সমীকৰণক প্ৰদৰ্শন কৰা হয়।

এটা ব্যৱসায়ৰ উদ্বৃত্তপত্ৰ প্ৰস্তুত কৰা হয় ব্যৱসায়টোৰ বিত্তীয় অৱস্থা আৰু ইয়াৰ সম্পত্তি আৰু দেনাসমূহৰ প্ৰকৃতি জানিবলৈ। লাভ-ক্ষতি হিচাপ তৈয়াৰ কৰালৈকে যিবোৰ হিচাপ বন্ধ কৰা হোৱা নাই সেইবোৰ উদ্বৃত্ত পত্ৰত দেখুওৱা হয়। সম্পত্তি আৰু দেনাসমূহ উদ্বৃত্ত পত্ৰ তৰলতা অথবা স্থায়ীত্বৰ ক্ৰম অনুসাৰে সজোৱা হয়।

## *অনুশীলনী*

*চমু উত্তৰৰ প্ৰশ্ন (short Answer)*

1. বিত্তীয় বিৰৰণ প্ৰস্তুত কৰাৰ উদ্দেশ্য কি?
2. ক্ৰয়-বিক্ৰয় আৰু লাভ আৰু **লোকচান**ৰ হিচাপ প্ৰস্তুত কৰাৰ উদ্দেশ্য কি?
3. বিক্ৰী কৰা বস্তুৰ মূল্যৰ অৱধাৰণা সম্পৰ্কে ব্যাখ্যা কৰা?
4. উদ্বৃত্ত পত্ৰ কাক বোলে? ইয়াৰ বৈশিষ্টসমূহ কি?
5. মূলধন আৰু ৰাজহ ব্যয়ৰ মাজত পাৰ্থক্য কি আৰু তলত উল্লেখ কৰা আৰু বিৰৰণবোৰ ৰাজহ ব্যয় নে মূলধনী ব্যয় তাক চিনাক্ত কৰা?
   a) পুৰণি গৃহ ক্ৰয় কৰি ইয়াত বাসকৰিবলৈ উপযোগী কৰি তোলাৰ বাবে মেৰামতি আৰু চাফাই কামৰ বাবে কৰা ব্যয়
   b) চৰকাৰৰ আদেশ অনুসাৰে চিনেমা ঘৰ এটাত এখনতৈ অধিক প্ৰবেশদ্বাৰ তৈয়াৰ কৰা খৰচ।
   c) ঘৰ কিনাৰ বাবদ আদায় দিয়া পঞ্জীয়ণ পত্ৰ শুল্ক।
   d) চাৰিবছৰ পিছত উৎপাদন কৰিব পৰা চাহবাগিছা এখনৰ পৰিচালনা কৰা খৰচ।
   e) যন্ত্ৰপাতিৰ ওপৰত অবক্ষয় ধাৰ্য।
   f) প্লেটফৰ্মত লগোৱা যন্ত্ৰৰ বাবদ হোৱা ব্যয়।
   g) বিজ্ঞাপনৰ খৰচৰ ওপৰত হোৱা ব্যয়ৰ চাৰি বছৰৰ লাভ
6) কাৰ্যকাৰী লাভ কি?

*দীঘলীয়া উত্তৰ প্ৰশ্ন (Long Answer)*

1. বিত্তীয় প্ৰতিবেদন মানে কি? ই কি তথ্য প্ৰদান কৰে?
2. অন্তিম প্ৰবিষ্টি মানে কি? অন্তিম প্ৰবিষ্টিৰ চাৰিটা উদাহৰণ দিয়া?
3. উদ্বৃত্ত পত্ৰৰ প্ৰস্তুতিৰ আৱশ্যকতা সম্পৰ্কে ব্যাখ্যা কৰা।
4. সম্পত্তি আৰু দেনা সমূহীকৰণ আৰু সজোৱাৰ নিয়ম মানে কি? উদ্বৃত্ত পত্ৰক কি দৰে সজোৱা হয় ব্যাখ্যা কৰা?

**সাংখ্যিক প্ৰশ্ন** (Numerical questions)

1. তলত উল্লেখ কৰা চিম্মী আৰু ভিম্মী লিমিটেডৰ 2003 চনৰ 31 মাৰ্চত অন্তপৰা বছৰটোৰ বিভিন্ন বহীৰ পৰা লোৱা হিচাপৰ উদ্বৃত্তসমূহৰ পৰা মুঠ লাভ গণনা কৰা।

| | টকা |
|---|---|
| সামৰণী মজুত পণ্য | 2,50,000 |
| বছৰটোৰ ভিতৰত প্ৰকৃতবিক্ৰী | 40,00,000 |
| বছৰটোৰ ভিতৰত প্ৰকৃত ক্ৰয় | 15,00,000 |
| আৰম্ভণী মজুত পণ্য | 15,00,000 |
| প্ৰত্যক্ষ ব্যয় | 80,000 |
| **(উত্তৰ ঃ মুঠ লাভ** | **11,70,000)** |

২. তলত দিয়া উদ্বৃত্তসমূহ মেছাৰ্চ আহুজা আৰু নন্দাৰ বহীপৰা লোৱা হৈছে। গণনা কৰা ঃ

ক) বিক্ৰীৰ কাৰণে লভ্য বস্তুৰ ব্যয়

খ) বছৰটোত বিক্ৰীহোৱা বস্তুৰ ব্যয়

গ) মুঠ লাভ

| | টকা |
|---|---|
| আৰম্ভণী মজুত পণ্য | 25,000 |
| বাকীত কিনা | 7,50,000 |
| নগদ কিনা | 3,00,000 |
| বাকী বিক্ৰী | 12,00,000 |
| নগদ বিক্ৰী | 4,00,000 |
| মজুৰি | 1,00,000 |
| দৰমহা | 1,40,000 |
| সামৰণী মজুত পণ্য | 30,000 |
| বিক্ৰী ফিৰৎ | 50,000 |
| ক্ৰয় ফিৰৎ | 10,000 |

**(উত্তৰ ঃ** (ক) 11,65,000 টকা (খ) 11,35,000 টকা (গ) 4,15,000 টকা)

3. 31 মাৰ্চ 2005 চনত সমাপ্ত হবলগীয়া বছৰৰ কাৰণে মেছাৰ্চ ৰাজীব আৰু সনচ্ পুস্তকালয়ৰ উদ্বৃত্ত শিতানৰ আধাৰৰ পৰা মুঠ লাভ আৰু কাৰ্যকৰী লাভৰ ৰাশিবোৰ গণনা কৰা।

| | টকা |
|---|---|
| আৰম্ভণী মজুত পণ্য | 50,000 |
| প্ৰকৃত বিক্ৰী | 11,00,000 |
| প্ৰকৃত ক্ৰয় | 6,00,000 |
| প্ৰত্যক্ষ ব্যয় | 60,000 |
| প্ৰশাসনিক ব্যয় | 45,000 |
| বিক্ৰী আৰু বিতৰণ ব্যয় | 65,000 |
| জুইৰ বাবে ক্ষতি | 20,000 |
| সামৰণী মজুত পণ্য | 70,000 |

(উত্তৰ ঃ মুঠ লাভ 4,60,000 টকা কাৰ্যকৰী লাভ -3,50,00 টকা)

4. মেছাৰ্ছ আৰোৰা আৰু শাশদেবাই কাৰ্যকৰী লাভ 2005-06 ত 17,00,000 টকা অৰ্জন কৰিছিল। ইয়াৰ অকাৰ্যকৰী আয় 1,50,000 টকা তথা অকাৰ্যকৰী ব্যয় 3,75,000 টকা আছিল। উক্ত কোম্পানীৰ দ্বাৰা প্ৰাপ্ত প্ৰকৃত লাভৰ হিচাব উলিওৱা।
(**উত্তৰ** ঃ প্ৰকৃত লাভ 14,75,000 টকা)

5. 31 মাৰ্চ 2005 ৰ মেছাৰ্ছ ভোলা আৰু চনচৰ ৰাহিৰ তালিকা তলত উল্লেখ কৰা হৈছে।

| হিচাবৰ নাম | ডেবিট (টকা) | ক্ৰেডিট (টকা) |
|---|---|---|
| আৰম্ভণী মজুত পণ্য | 2,00,000 | |
| ক্ৰয় | 8,10,000 | |
| বিক্ৰী | | 10,10,000 |
| | 10,00,000 | 10,10,000 |

*(কেৱল প্ৰাসঙ্গিক বস্তু)*

এই তাৰিখৰ অন্তিম মজুত পণ্য মূল্য 3,00,000 টকা আছিল।

তুমি মেৰ্চাচ ভোলা এণ্ড চন্‌চৰ বহীত প্ৰয়োজনীয় জাবেদা প্ৰবিষ্টিবোৰ লিখা আৰু এইবোৰ কেনেকৈ ক্ৰয়-বিক্ৰয় আৰু লাভ আৰু লোকচানৰ হিচাপ আৰু উদ্বৃত্ত পত্ৰত দেখুওৱা হয়।

6. 31 মাৰ্চ, 2005 ৰ ক্ৰয়-বিক্ৰয় আৰু লাভ আৰু লোকচান আৰু উদ্বৃত্ত পত্ৰ প্ৰস্তুত কৰা।

| হিচাপৰ নাম | পৰিমাণ (টকা) | হিচাপৰ নাম | পৰিমাণ (টকা) |
|---|---|---|---|
| যন্ত্ৰপাতি | 27,000 | মূলধন | 60,000 |
| বিভিন্ন দেনাদাৰ | 21,000 | প্ৰাপ্য বিল | 2,800 |
| আহৰণ | 2,700 | বিভিন্ন পাওনাদাৰ | 1,400 |
| ক্ৰয় | 58,500 | বিক্ৰী | 73,500 |
| মজুৰি | 15,000 | | |
| বিভিন্ন খৰচ | 600 | | |
| ঘৰভাড়া আৰু কৰ | 1,350 | | |
| ক্ৰয়জনিত পৰিবহণ | 450 | | |
| বেঙ্ক | 4,500 | | |
| আৰম্ভণী মজুত পণ্য | 6,000 | | |

31মাৰ্চ, 2005 চনৰ সামৰণী মজুত পণ্য 22,400 টকা

**উত্তৰ ঃ** মুঠ লাভ = 15,950 টকা, প্ৰকৃত লাভ =14,000 টকা, উদ্বৃত পত্ৰৰযোগফল=75,500 টকা

7. 31 মাৰ্চ, 2005 চনৰ মেচাৰ্চ ৰাম পুস্তকালয়ৰ কিতাপৰ পৰা তলত উল্লেখ কৰা উদ্বৃত্ত মিলন পত্ৰ প্ৰস্তুত কৰা হৈছে। তুমি উক্ত তাৰিখত ক্ৰয়-বিক্ৰয় আৰু লাভ আৰু লোকচানৰ হিচাপ তথা উদ্বৃত্ত পত্ৰ প্ৰস্তুত কৰা।

| হিচাপৰ নাম | খৰচৰ টকাৰ পৰিমাণ | হিচাপৰ নাম | জমা টকাৰ পৰিমাণ |
|---|---|---|---|
| দেনাদাৰ | 12,000 | শিক্ষা নবিচীৰ আগধন | 5,000 |
| ক্ৰয় | 50,000 | ঋণ | 10,000 |
| কয়লা, গেছ আৰু পানী | 6,000 | বেঙ্কৰ অধিবিকৰ্ষ | 1,000 |
| কাৰখানাৰ মজুৰি | 11,000 | বিক্ৰী | 80,000 |
| দৰমহা | 9,000 | | 13,000 |
| ঘৰ ভাড়া | 4,000 | পাওনাদাৰ | 20,000 |
| ৰেহাই | 3,000 | মূলধন | |
| বিজ্ঞাপন | 500 | | |
| আহৰণ | 1,000 | | |

| | | | |
|---|---|---|---|
| ঋণ | 6,000 | | |
| খুচুৰা নগদ | 500 | | |
| বিক্ৰী ফিৰৎ | 1,000 | | |
| যন্ত্ৰপাতি | 5,000 | | |
| মাটি আৰু ঘৰ | 10,000 | | |
| আয়কৰ | 100 | | |
| আচবাব | 9,900 | | |

(উত্তৰ ঃ মুঠ লাভ =12,000 টকা, প্ৰকৃত লাভ= 500 টকা, উদ্বৃত্ত পত্ৰৰ যোগফল = 43,400 টকা)

8. 31 মাৰ্চ, 2005 চনত মঞ্জু চাওলাৰ উদ্বৃত্ত মিলন পত্ৰ তলত দেখুওৱা হ'ল। তুমি উক্ত তাৰিখত **উদ্বৃত্ত মিলন পত্ৰ অনুসাৰে ক্ৰয় বিক্ৰয় আৰু লাভ ক্ষতিৰ হিচাপ আৰু উদ্বৃত্ত পত্ৰ প্ৰস্তুত কৰা।**

| হিচাপৰ নাম | খৰচৰ টকাৰ পৰিমাণ | জমা টকাৰ পৰিমাণ |
|---|---|---|
| আৰম্ভণী মজুত পণ্য | 10,000 | |
| ক্ৰয় আৰু বিক্ৰী | 40,000 | 80,000 |
| ফিৰৎ | 200 | 600 |
| উৎপাদিত মজুৰি | 6,000 | |
| বন্দৰ আৰু মুকলি খৰচ | 4,000 | |
| বৰঙণি আৰু দান | 600 | |
| ডেলিভাৰী ভানৰ খৰচ | 6,000 | |
| বিজুলী | 500 | |
| বিক্ৰীকৰ সংগ্ৰহ | | 1,000 |
| অনুদ্ধাৰণীয় ঋণ | 600 | |
| অন্যান্য আয় | | 6,000 |
| ভাড়তীয়াৰ পৰা পোৱা ভাড়া | | 2,000 |
| অধিকাৰ শুল্ক | 4,000 | |
| মূলধন | | 40,000 |

| | | |
|---|---|---|
| আহৰণ | 2,000 | |
| দেনাদাৰ আৰু পাওনাদাৰ | 6,000 | 7,000 |
| নগদ টকা | 3,000 | |
| বিনিয়োগ | 6,000 | |
| কৃতিস্বত্ব | 4,000 | |
| মাটি আৰু যন্ত্ৰপাতি | 43.00 | |

সামৰণী মজুত পণ্য 2,000 টকা

(**উত্তৰ** ঃ- মুঠ লাভ =18,400 টকা, প্ৰকৃত লাভ =18,700 টকা উদ্বৃত্ত পত্ৰৰ যোগফল=64,700 টকা)

9. 31 মাৰ্চ 2005 চনৰ তলৰ উল্লেখিত উদ্বৃত্ত মিলন পত্ৰখন মিঃ দীপকৰ। তুমি এই উল্লেখিত পত্ৰ অনুসাৰে ব্যৱসায়ৰ ক্ৰয়-বিক্ৰয় আৰু লাভ আৰু লোকচানৰ হিচাব আৰু উদ্বৃত্ত পত্ৰ প্ৰস্তুত কৰা।

| হিচাপৰ নাম | খৰচৰ টকাৰ পৰিমাণ | হিচাপৰ নাম | জমা টকাৰ পৰিমাণ |
|---|---|---|---|
| আহৰণ | 36,000 | মূলধন | 2,50,000 |
| বীমা | 3,000 | প্ৰদেয় বিল | 3,600 |
| বিবিধ খৰচ | 29,000 | পাওনাদাৰ | 50,000 |
| ঘৰভাড়া আৰু কৰ | 14,400 | ৰেহাই প্ৰাপ্তি | 10,000 |
| বিজুলী (কাৰখানা) | 2,800 | ক্ৰয় ফিৰৎ | 8,000 |
| ভ্ৰমণ খৰচ | 7,400 | ক্ৰয় | 4,40,000 |
| হাতে জমা | 12,600 | | |
| প্ৰাপ্য বিল | 5,000 | | |
| বিভিন্ন দেনাদাৰ | 1,04,000 | | |
| আচবাব | 16,000 | | |
| কাৰখানা আৰু যন্ত্ৰপাতি | 1,80,000 | | |
| আৰম্ভণী মজুত পণ্য | 40,000 | | |
| ক্ৰয় | 1,60,000 | | |
| বিক্ৰী ফিৰৎ | 6,000 | | |

| | | | |
|---|---|---|---|
| ক্রয়জনিত পৰিবহণ | 7,200 | | |
| বিক্রীজনিত পৰিবহণ | 1,600 | | |
| মজুৰি | 84,000 | | |
| বেতন | 53,000 | | |

সামৰণী মজুত পণ্য 35,000 টকা

(উত্তৰ ঃ মুঠ লাভ=1,83,000 টকা, প্ৰকৃতলাভ 85,000 টকা, উদ্বৃত পত্ৰৰ যোগফল=3,52,600)

**10.** 31 মাৰ্চ, 2005 চনত তলত নিৰ্দিষ্টকৈ উল্লেখ কৰা হিচাপ সমূহৰপৰা ক্রয়-বিক্রয়ৰ হিচাপ আৰু লাভ আৰু লোকচানৰ হিচাপ আৰু উদ্বৃত্ত পত্ৰৰ প্ৰস্তুত কৰা।

| হিচাপৰ নাম | খৰচৰ টকাৰ পৰিমাণ | জমা টকাৰ পৰিমাণ |
|---|---|---|
| ক্রয় আৰু বিক্রী | 3,52,000 | 5,60,000 |
| বিক্রী ফিৰৎ আৰু ক্রয় ফিৰৎ | 9,600 | 12,000 |
| ক্রয়জনিত পৰিবহণ | 7,000 | |
| বিক্রয়জনিত পৰিবহণ | 3,360 | |
| ইন্ধন আৰু শক্তি | 24,800 | |
| আৰম্ভণী মজুত পণ্য | 57,600 | |
| অনুদ্ধাৰণীয় ঋণ | 9,950 | |
| দেনাদাৰ আৰু পাওনাদাৰ | 1,31,200 | 48,000 |
| মূলধন | | 3,48,000 |
| বিনিয়োগ | 32,000 | |
| বিনিয়োগৰ ওপৰত সুদ | | 3,200 |
| ঋণ | | 16,000 |
| মেৰামতি | 2,400 | |
| বিবিধ খৰচ | 17,000 | |
| মজুৰি আৰু বেতন | 28,800 | |
| হাতে জমা | 32,000 | |
| বিবিধ প্ৰাপ্তি | | 160 |
| বিক্রী কৰ সংগ্ৰহ | | 8,350 |
| ভূমি আৰু ভবন | 2,88,000 | |

সামৰণী মজুত পণ্য 30,000 টকা

**উত্তৰ ঃ** (মুঠ লাভঃ-1,22,200 টকা, প্ৰকৃত লাভঃ- 92,850 টকা, উদ্বৃত্ত পত্ৰৰ যোগফল ঃ 5,13,200)

11. 31 মাৰ্চ 2005 চনৰ তলত উল্লেখ কৰা উদ্বৃত্ত মিলন পত্ৰৰ পৰা মিষ্টাৰ এঃ লালৰ ক্ৰয়-বিক্ৰয়ৰ আৰু লাভ আৰু লোকচানৰ হিচাপ আৰু উদ্বৃত্ত পত্ৰ প্ৰস্তুত কৰা।

| হিচাপৰ নাম | খৰচৰ টকাৰ পৰিমাণ | জমা টকাৰ পৰিমাণ |
|---|---|---|
| 1এপ্ৰিল 2005 চনৰ মজুত পণ্য | 16,000 | |
| ক্ৰয় আৰু বিক্ৰয় | 67,600 | 1,12,000 |
| বিক্ৰয় আৰু ক্ৰয় ফিৰৎ | 4,600 | 3,200 |
| ক্ৰয়জনিত পৰিবহন | 1,400 | |
| সাধাৰণ খৰচ | 2,400 | |
| অনুদ্ধাৰণীয় ঋণ | 600 | |
| ৰেহাই প্ৰাপ্তি | | 1,400 |
| বেংক অধিবিকৰ্ষ | | 10,000 |
| বেংক অধিবিকৰ্ষৰ ওপৰত সুদ | 600 | |
| দস্তুৰি গ্ৰহণ | | 1,800 |
| বীমা আৰু কৰ | 4,000 | |
| দুচকীয়া বাহন খৰচ | 200 | |
| বেতন | 8,800 | |
| হাতে জমা | 4,000 | |
| দুচকীয়া বাহন | 8,000 | |
| আচবাব | 5,200 | |
| ঘৰ | 65,000 | |
| দেনাদাৰ আৰু পাওনাদাৰ | 6,000 | 16,000 |
| মূলধন | | 50,000 |

সামৰণী মজুত পণ্য ঃ 15,000টকা

(**উত্তৰ ঃ** মুঠ লাভ 40,600 টকা, প্ৰকৃত লাভ 27,200 টকা, উদ্বৃত্ত পাত্ৰৰ যোগফল ঃ1,03,200 টকা)

12. 31 মাৰ্চ , 2005 চনত মেচাৰ্চ ৰয়েল ট্ৰেডাৰ্চৰ তলত উল্লেখিত হিচাপসমূহৰ ভিত্তিত ক্ৰয়-বিক্ৰয় আৰু লাভ লোকচান আৰু উদ্বৃত্ত পত্ৰৰ হিচাপ প্ৰস্তুত কৰা।

| ডেবিট হিচাব | পৰিমাণ (টকা) | ক্ৰেডিট হিচাব | পৰিমাণ (টকা) |
|---|---|---|---|
| মজুত পণ্য | 20,000 | বিক্ৰী | 2,45,000 |
| নগদ | 5,000 | পাওনাদাৰ | 10,000 |
| বেঙ্ক জমা | 10,000 | প্ৰদেয় বিল | 4,000 |
| ক্ৰয় পৰিবহণ খৰচ | 1,500 | মূলধন | 2,00,000 |
| ক্ৰয় | 1,90,000 | | |
| আহৰণ | 9,000 | | |
| মজুৰি | 55,000 | | |
| যন্ত্ৰপাতি | 1,00,000 | | |
| দেনাদাৰ | 27,000 | | |
| ডাক খৰচ | 300 | | |
| বিবিধ খৰচ | 1,700 | | |
| ঘৰ ভাড়া | 4,500 | | |
| আচবাব | 35,000 | | |

সামৰণী মজুত পণ্য 8,000 টকা

(**উত্তৰ ঃ মুঠ লোকচান** 13,500 টকা, প্ৰকৃত লোকচান ঃ 20,000, উদ্বৃত্ত পত্ৰৰ যোগফল ঃ1,85,000 টকা)

13. 31 মাৰ্চ 2005 চনৰ মেচাৰ্চ নিমা ট্ৰেডাৰ্চৰ তলত উল্লেখিত নিৰ্দিষ্ট হিচাপ সমূহৰ পৰা ক্ৰয়-বিক্ৰয় হিচাপ আৰু লাভ, লোকচানৰ হিচাপ প্ৰস্তুত কৰা।

| হিচাপৰ নাম | ডেবিট টকাৰ পৰিমাণ | হিচাপৰ নাম | ক্ৰেডিট টকাৰ পৰিমাণ |
|---|---|---|---|
| ঘৰ | 23,000 | বিক্ৰী | 1,80,000 |
| কাৰখানা | 16,930 | ঋণ | 8,000 |
| ক্ৰয়জনিত পৰিবহণ | 1,000 | প্ৰদেয় বিল | 2,520 |
| মজুৰি | 3,300 | বেংকৰ অধিবিকৰ্ষ | 4,720 |
| ক্ৰয় | 1,64,000 | পাওনাদাৰ | 8,000 |
| বিক্ৰী ফিৰৎ | 1,820 | মূলধন | 2,36,000 |
| আৰম্ভণী মজুত পণ্য | 9,000 | ক্ৰয় ফিৰৎ | 1,910 |
| যন্ত্ৰপাতি | 2,10,940 | | |
| বীমা | 1,610 | | |
| সূদ | 1,100 | | |
| অনুদ্ধাৰণীয় ঋণ | 250 | | |
| ডাক খৰচ | 300 | | |
| ৰেহাইৰ বাবদ | 1,000 | | |
| বেতন | 3,000 | | |
| দেনাদাৰ | 3,900 | | |

31 মাৰ্চ 2005 চনৰ মজুত পণ্য 16,000 টকা

(**উত্তৰ ঃ** মুঠ 17,850 টকা, প্ৰকৃত লাভ 10,590 টকা, উদ্বৃত্ত পত্ৰৰ যোগফলঃ 2,69,830 টকা)

14. 31 মাৰ্চ, 2005 চনৰ মেচাৰ্চ নিলু শাৰীৰ দোকানৰ তলত উল্লেখিত হিচাপ সমূহৰ পৰা ক্ৰয়-বিক্ৰয় হিচাপ আৰু লাভ-লোকচান হিচাপ আৰু উদ্বৃত্ত পত্ৰ হিচাপ প্ৰস্তুত কৰা।

| হিচাপৰ নাম | ডেবিট (টকাৰ পৰিমাণ) | হিচাপ নাম | ক্ৰেডিট (টকাৰ পৰিমাণ) |
|---|---|---|---|
| আৰম্ভণী মজুত পণ্য | 10,000 | বিক্ৰী | 2,28,000 |
| ক্ৰয় | 78,000 | মূলধন | 70,000 |
| ক্ৰয়জনিত পৰিবহণ | 2,500 | সুদ | 7,000 |
| বেতন | 30,000 | দস্তুৰি | 8,000 |
| দস্তুৰি | 10,000 | পাওনাদাৰ | 28,000 |
| মজুৰি | 11,000 | প্ৰদেয় বিল | 2,370 |
| ঘৰভাড়া আৰু কৰ | 2,800 | | |
| মেৰামতি | 5,000 | | |
| তাৰবাৰ্তা খৰচ | 1,400 | | |
| আইনী ব্যয় | 1,500 | | |
| বিবিধ খৰচ | 2,500 | | |
| হাতে জমা | 12,000 | | |
| দেনাদাৰ | 30,000 | | |
| যন্ত্ৰপাতি | 60,000 | | |
| বিনিয়োগ | 90,000 | | |
| আহৰণ | 18,000 | | |

31 মাৰ্চ, 2005 চনৰ সামৰণী মজুত পণ্য 22,000 টকা

(**উত্তৰঃ** মুঠ লাভ 1,56,500 টকা, প্ৰকৃত লাভ 1,10,300 টকা, উদ্বৃত্ত পত্ৰৰ যোগফল 2,14,000 টকা)

15. 2005 চনৰ 31 মাৰ্চত মেচাৰ্চ ইকুইপমেণ্টৰ তলত উল্লেখিত হিচাপ সমূহৰপৰা ক্ৰয়-বিক্ৰয় আৰু লাভ আৰু লোকচানৰ হিচাপ আৰু উক্ত সময়ৰ উদ্বৃত্ত পত্ৰৰ প্ৰস্তুত কৰা।

| হিচাপৰ নাম | ডেবিট (টকাৰ পৰিমাণ) | ক্ৰেডিট (টকাৰ পৰিমাণ) |
|---|---|---|
| আৰম্ভণী মজুত পণ্য | 50,000 | |
| ক্ৰয় আৰু বিক্ৰয় | 3,50,000 | 4,21,000 |
| বিক্ৰয় ফিৰৎ | 5,000 | |
| মূলধন | | 3,00,000 |
| দস্তুৰি | | 4,000 |
| পাওনাদাৰ | | 1,00,000 |
| বেংকৰ অধিবিকৰ্ষ | | 28,000 |
| হাতে জমা | 32,000 | |
| আচবাব | 1,28,000 | |
| দেনাদাৰ | 1,40,000 | |
| কাৰখানা | 60,000 | |
| ক্ৰয়জনিত পৰিৱহণ | 12,000 | |
| মজুৰি | 8,000 | |
| ঘৰভাড়া | 15,000 | |
| অনুদ্ধাৰণীয় ঋণ | 7,000 | |
| আহৰণ | 24,000 | |
| মনোহাৰী | 6,000 | |
| ভ্ৰমণ খৰচ | 2,000 | |
| বীমা | 7,000 | |
| ৰেহাই | 5,000 | |
| কাৰ্য্যালয় খৰচ | 2,000 | |

31মাৰ্চ, 2006 চনৰ সামৰণী মজুত পণ্য 2,500 টকা

(**উত্তৰ ঃ** মুঠ লোকচান 1,500 টকা, প্ৰকৃত লোকচান 41,500 টকা, উদ্বৃত্ত পত্ৰৰ যোগফলঃ 3,62,500 টকা)

## *কি বুজিলা চোৱাৰ উত্তৰ তালিকা*
## *(Checklist to Test your Understanding)*

1. *কি বুজিলা চোৱা ঃ I*

   I. (i) *b* (ii) *a* (iii) *c* (iv) *c* (v) - *d*

2. *কি বুজিলা চোৱা ঃ II*

   II. (i) v 2. (ii) iii 3. (iii) 4. iii